এপ্রিল 2002 Rs. 10/-

চান্দমামা



Tamil Nadu:
For a holiday, holiweek or holimonth.
Whether for a short or long stopover, Tamil Nadu is the place to come. You'll be treated to a tantalising mix of nature, heritage and fun. From mountains, waterfalls, forests and beaches to art, architecture, bird and wildlife sanctuaries, water sports facilities, entertainment parks and exhibitions. Come, experience the perfect holiday.
Commissioner of Tourism
Tamil Nadu Tourism Complex, Wallajah Road, Chennai-600 002.
Ph: 91-44-538 8785, 536 1640. Telefax : 91-44-538 2772.
e-mail : dir-tour@tn.nic.in
For exciting package tours, discounts, accommodation and reservations please contact:
tamil nadu tourism
DEVELOPMENT CORPORATION LIMITED
Sales counters :
No.4, EVR Salai, (Opp. Central Railway Station) Chennai - 600 003.
Ph: 91-44-538 9132, 538 2916, 536 0294. Telefax : 91-44-536 1385
II Floor, LLA Building, 735, Anna Salai, Chennai-600 002. Ph: 91-44841 1177.
http : //www.tamilnadutourism.org e-mail : ttdc@md3.vsnl.net.in
Tourist Offices : * New Delhi : 011-336 3607 * Mumbai : 022-4110118 * Kolkatta : 033-472 9611 *Goa : 0832-226390
DIPR/DIS/ 221 /FLAME/2002

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
V
W
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING

এই সংখ্যাত আছে বৰ্ষ : ২৯ এপ্ৰিল ২০০২ সংখ্যা - ৪

ভাৰত কথা ২৫

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী (ৰজাৰ বনপ্ৰস্থ) ১৯

যক্ষ পৰ্বত ১৩

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ মই কি পাম ? ... ৮ ★ প্ৰাণৰ ভয়...১০ ★ মায়া সৰোবৰ ... ১১
★ দলনায়ক ... ১৮ ★ ৰজাৰ বানপ্ৰস্থ (বেতাল কথা) ... ১৯
★ ভাৰতৰ বিষয়ে জানি লোৱা - প্ৰশ্নাৱলী ... ২৪
★ ভাৰত কথা ... ২৫ ★ ভাৰতৰ উৎসৱ পাৰ্বণ ... ২৯
★ ৰসিক ব্যক্তি-বীৰবল ... ৩৪ ★ ইণ্ডিয়াস্কোপ ... ৩৬
★ কৰ্ণাটকৰ লোককথা ... ৩৮ ★ সংবাদ প্ৰবাহ ... ৪৪
★ গণেশ ... ৪৫ ★ ভৱিষ্যৎ বাণী ... ৫১
★ চাকৰে শিকোৱা পাঠ ... ৫৫ ★ অহঙ্কাৰ ... ৫৮
★ অজেয় গৰুড় ... ৬১ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to

Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

HEY PEOPLE! TELL US HOW CLOSE YOU'RE TO POPEYE AND YOU COULD WIN A POPEYE WATCH FROM DASH!

Put your knowledge on Popeye to test by ticking the right answers to the following questions and you could win an exciting Dash! watch.

1. What does Popeye do for a living? He's a
   a. Sailorman ☐ b. Tailorman ☐
   c. Cobblerman ☐

2. What's Popeye's source of strength?
   a. Roast Beef ☐ b. Hotdogs ☐
   c. Spinach ☐

3. What's Popeye's girlfriend's name?
   a. Olive Oyl ☐ b. Coconut Oyl ☐
   c. Sunflower Oyl ☐

Now dash this contest form to:
The Dash! Chandamama Contest,
Titan Industries Ltd, Airport Road,
Bangalore-560 017.

My name is: ____________________
I am a Boy ☐ Girl ☐. I am ______ years old
My address is: ____________________
____
Tel: ____________________
I read Chandamama in English ☐ Hindi ☐
Others ☐ (Please specify) ____________

Rules and regulations:
1. Judges decision is final and binding.
2. Incomplete forms will not be considered.
3. Prizes are not exchangeable in lieu of cash.
4. All entries should reach us by 15th May 2002.

Rs. 295 onwards.

DASH!

Wow watches from Titan

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ৭

ভাৰতত ক্লাচিকেল সঙ্গীতৰ এক ঐতিহ্যপূৰ্ণ পৰম্পৰা আছে। ইয়াতে কেইজনমান সঙ্গীতৰ হিৰোৰ কথা কোৱা হ'ল । তাৰে তুমি কেইজনক চিনিব পাৰিবা ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব । *

1 কৰ্ণাটকী সঙ্গীতৰ ত্ৰিমূৰ্তিৰ ভিতৰত এজনে ২৪,০০০ গান ৰচনা কৰিছিল। তেওঁৰ সমাধি কাবেৰী নদীৰ পাৰত তিৰুভাইয়াৰুত আছে । তুমি তেওঁৰ নামটো কব পাৰিবানে ?

----

2 এই বিখ্যাত তবলা বাদকজনে বাদ্যসঙ্গীতত এক বিশেষ স্থান অধিকাৰ কৰিছিল । তেওঁৰ পুত্ৰ জাকিৰ হুছেইনো তেওঁৰ সমান খতিৰেই এজন তবলাবাদক । তেওঁৰ নাম কি ?

----

3 এই বিখ্যাত সঙ্গীতজ্ঞজনে আকবৰৰ ৰাজসভাত শোভা বৰ্দ্ধন কৰিছিল । তেওঁ যেতিয়া দীপক পঞ্চম সুৰত গান গাইছিল চাকিও নিজে নিজে জ্বলি উঠিছিল । তুমি তেওঁৰ নামটো মনত কৰিব পাৰিছানে ?

----

4 তেওঁ এজন সুবিখ্যাত চেহনাই বাদক । যোৱা বছৰ তেওঁক ভাৰত ৰত্ন বঁটা দিয়া হৈছিল । আমি কাৰ কথা কৈছো কব পাৰিবানে ?

----

5 এই ঐশ্বৰ্য্যশালী মানুহজনক শ্ৰীনিবাস নাইক বুলি মতা হৈছিল, যিজনে পিচত সংসাৰ ত্যাগ কৰিছিল । তেওঁৰেই কৰ্ণাটাকী সঙ্গীতৰ ভেটি নিৰ্মাণ কৰিছিল । তুমি তেওঁৰ নামটো অনুমান কৰিব পাৰিছানে ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা । এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে ? মোৰ ভাললগা হিৰোজন হ'ল...এই বিষয়ে ১০ টা শব্দ লিখা ।

....

....

প্ৰতিযোগীৰ নাম...

বয়স............................শ্ৰেণী...........................

ঠিকনা..

পিন.............................ফোন..............................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz-7
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫ মেৰ আগতে পোৱাকৈ পঠাবা ।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে ।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব । বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব । যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব ।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত ।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব ।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব ।

Gautam Goswami
8-4-2002

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

বসুন্ধৰা-দিৱসৰ বাবে এটি চিন্তা

আমি পৃথিৱীত বাসকৰা প্ৰাণীবোৰে পৃথিবীয়ে দিয়া সকলোবোৰ সুবিধাই ভোগ কৰো । সেইবোৰ হ'ল - মাটি, পানী, মাটিৰ তলত থকা সম্পদৰাশি, মাটিৰ ওপৰত গজি উঠা গছ-গছনি আৰু জীৱ-জন্তু, চৰাই-চিৰিকতিৰ সঙ্গ । আমি যিমান দিন থাকো এই সকলোবোৰ সুবিধা উপভোগ কৰি থাকিম । তাৰ মানে আমি পৃথিৱীৰ ভাৰাতীয়া ।

কিন্তু মাজে সময়ে আমি এনে ব্যৱহাৰ কৰো যেন আমি পৃথিৱীৰ গৰাকীহে, যি মন যায় আমি কৰিব পাৰো । আমি এই কথা অনুভবে নকৰো যে আমি উপভোগ কৰি থকা বস্তুবোৰৰ আনকো ভাগ দিব লাগিব । মানুহৰ এই হুতাহে পৃথিৱীৰ ক্ষতি সাধন হে কৰিছে । মানুহে যদি এইদৰে পৃথিৱীখন ধ্বংস কৰিবলৈ আৰম্ভ কৰে তেতিয়া আমি আজি যিবোৰ বস্তু উপভোগ কৰি আছো সেইবোৰ ক্ৰমে নোহোৱা হৈ আহিব ।

বৰ্তমান সময়ত আতাইতকৈ ভয়লগা অস্ত্ৰ হৈছে জীৱাণু অস্ত্ৰ, যাৰ দ্বাৰা অকল যে মানুহেই ধ্বংস হব সেইটো নহয়, পৃথিবীত থকা উদ্ভিদ জগত আৰু প্ৰাণীজগতৰো অশেষ ক্ষতি হব । পৃথিৱীয়ে বহুতো ভাৰ সহ্য কৰি আহিছে । মাটি, পানী, বায়ু দূষিত হৈ পৰিছে । জীৱন প্ৰায় স্থবিৰ হৈ পৰিছে ।

এই পৃথিৱীত হাজাৰ হাজাৰ বছৰ ধৰি মানুহে বাস কৰি আহিছে । আজি বহু প্ৰজাতিৰ জীৱ বিলুপ্ত হৈ আহিছে । আৰু বহুতো বিলুপ্তৰ পথত ।

নতুন প্ৰজন্মৰ কাৰণে "পৃথিৱী গ্ৰহক ৰক্ষা কৰাৰ" আজি সময় আহি পৰিছে । আমি সকলোৱে আই বসুমতীৰ কোনো ক্ষতি নকৰো বুলি প্ৰতিশ্ৰুতিবদ্ধ হও আহা । আমি আমাৰ সন্তানৰ কাৰণে ইয়াক ৰাখিব লাগিব ।

(২২ এপ্ৰিলত বসুন্ধৰা দিবস)

সম্পাদক : বিশ্বম



মই কি পাম ?

এখন গাঁৱত ৰামচৰণ নামৰ এজন বেপাৰী আছিল । তেওঁ বৰ কৃপণ আৰু অতি লোভী আছিল । তেওঁ নিজৰ স্বাৰ্থৰ প্ৰতি সদায় সজাগ আছিল । কোনো লাভ নোহোৱাকৈ কেতিয়াও কাৰো কোনো কাম কৰা নাছিল। ৰমেন নামৰ এজন মানুহে তেওঁৰ তাতে ঘৰ ভাড়া কৰি আছিল । সৰু-সুৰা কাম কৰি তেওঁ নিজৰ সংসাৰ চলাইছিল । অৱস্থাৰ তাৰনাত পৰি বেলেগ গাঁৱৰ পৰা আহি তেওঁ ৰামচৰণৰ ঘৰত থাকিব লগা হৈছিল ।

এদিন ৰামচৰণে নিজৰ দোকানৰ পৰা ঘৰলৈ উভতি আহোতে দেখিবলৈ পালে ৰমেনৰ জীয়েক কল্যাণী তেওঁৰ ঘৰৰ পৰা ওলাই আহিছে ।

তেওঁ কল্যাণীক সুধিলে, “কি কামত আহিছিলা মাজনী ?”

“নাৰিকল কাটিবলৈ দাখন লৈ গৈছিলো তাকে দিবলৈ আহিছো ।” কল্যাণীয়ে কলে।

তেতিয়া ৰামচৰণে কলে, “তুমি এইটো ঠিক কাম কৰা নাই । দাখনতো ঘূৰাই দি গলা, কিন্তু সেইখন ব্যৱহাৰ কৰাৰ সলনি এটা যদি নাৰিকল দিলাহেতেন খুব ভাল হলহেতেন।”

কল্যাণীয়ে তৎক্ষণাত নিজৰ ঘৰলৈ গৈ নাৰিকল এটা লৈ আহি ৰামচৰণক দিলে ।

আন এদিনাখন ৰামচৰণে দুপৰীয়াৰ আহাৰ খাবলৈ আহি কল্যাণীক ঘৰত দেখিবলৈ পালে । ৰামচৰণে তাইক সুধিলে, “কি কামত আহিছা কল্যাণী ?”

আজি উৎসৱৰ দিন নহয় নে ? লাৰু তৈয়াৰ কৰিবলৈ মাক আপোনালোকৰ কেৰাহীটোৰ আৱশ্যক হৈছিল । সেইটো লৈ গৈছিলো । লাৰু তৈয়াৰ কৰা শেষ হোৱাত সেইটো ঘূৰাই দিবলৈ আহিছিলো ।” কল্যাণীয়ে হাঁহি হাঁহি কলে ।

কেৰাহীটো ঘূৰাই দিলা ঠিক কথা, পিছে সেইটো ব্যৱহাৰ কৰাৰ সলনি মোৰ কাৰণে কি লৈ আহিছা ?” ৰামচৰণে সুধিলে ।

কল্যাণীয়ে ভাবিলে তাই ভুল কৰিছে । গতিকে তাই তৎক্ষণাত ঘৰলৈ দৌৰি গৈ এখন থালত কিছুমান লাৰু লৈ আহি ৰামচৰণৰ হাতত দিলে । ৰামচৰণেও হাঁহি হাঁহি থালখন হাত পাতি ললে ।

ৰামচৰণে মনৰ আনন্দতে কল্যাণীৰ পিঠিত থপৰিয়াই দি কলে, "চোৱা মাজনী, আগলৈকো আমাৰ ঘৰৰ পৰা কিবা বস্তু নিলে সেইটো ব্যৱহাৰ কৰাৰ বাবদ মই নোখোজাকৈয়ে কিবা নহয় কিবা দি যাবা । তেতিয়া মোৰ মনটো ভাল লাগিব ।"

কল্যাণীয়ে শিশুসুলভ হাঁহি এটা মাৰি তাৰপৰা গুচি গ'ল ।

কিছুদিন ৰামচৰণ ঘৰত নাছিল । এসপ্তাহ পিছত তেওঁ যেতিয়া ওচৰৰ গাঁৱৰপৰা উভতি আহিছিল তেতিয়া কল্যাণীক তেওঁলোকৰ ঘৰৰ পৰা ওলাই অহা দেখিলে ।

"কল্যাণী কিবা বস্তু ঘূৰাই দিব আহিছিলা নেকি ?" হাঁহি মাৰি ৰামচৰণে সুধিলে ।

"হয় খুৰা, কেৱল ঘূৰাই দিয়াই নহয়, আপুনি কোৱাৰ দৰেকৈ বাকী খিনিও পূৰা কৰি দিছো ।" কল্যাণীয়ে কলে ।

"কি নিছিলা মাজনী ?" ৰামচৰণে সুধিলে । "নিগনি ধৰা ফান্দখন লৈ গৈছিলো। আমাৰ ঘৰত বহুত নিগনি হৈছে। সেইবোৰে আমাক বহুত দিগদাৰি দিয়ে । তাৰে কেইটামান নিগনি ফান্দত পৰিছিল । ফান্দখন ব্যৱহাৰ কৰা বাবদ কিবা নহয় কিবাতো আপোনাক দিব লাগিব । সেয়েহে ফান্দত ধৰাপৰা নিগনি দুটা লৈ আহি আপোনাৰ ঘৰত এৰি দিছো । ফান্দখনো আপোনাৰ পুত্ৰৰ হাতত দি আহিছো । খুৰা, আপুনি কোৱা কথা কেতিয়াও নাপাহৰো ।" কল্যাণীয়ে কলে ।

কল্যাণীৰ কথা শুনি ৰামচৰণ চক্‌খাই উঠিল। কিছু সময় তেওঁৰ মুখৰ পৰা কোনো কথা নোলাল । এই ঘটনাৰ পিছৰ পৰা লাহে লাহে ৰামচৰণৰ স্বভাৱৰ পৰিবৰ্তন হবলৈ ধৰিলে । তেতিয়াৰ পৰা তেওঁ 'মই কি পাম' এনে স্বভাৱ ত্যাগ কৰিলে । এতিয়া তেওঁ এজন ভাল মানুহ বুলি সকলোৰে মাজত পৰিচিত ।

প্ৰাণৰ ভয়

এখন হাবিত এটা শহাপহু আছিল। এবাৰ শহাপহুটোৱে ভৰি পিছলি পানী থকা খাল এটাত পৰি গৈছিল। খালটোত পানী সিমান বেছি নাছিল। শহাটোৱে খালটোৰ পৰা উঠিবলৈ ইমান চেষ্টা কৰিছিল, কিন্তু উঠিব পৰা নাছিল।

তাৰ মানত এই ভাব হৈছিল যে সি আৰু খালৰ পৰা উঠিব নোৱাৰিব আৰু ইয়াতেই তাৰ মৃত্যু হব। শহাটোৱে যেতিয়া এইদৰে চিন্তা কৰি আছিল তেতিয়া সেইফালেৰে দুটা শহাপহু আৰু এটা বান্দৰ গৈ আছিল। সিহঁতে শহাটোক খালত পৰি থকা অৱস্থা দেখা পাইছিল। তিনিওজনে মিলি শহাটোক তুলিবলৈ অশেষ চেষ্টা কৰিও সফল হব নোৱাৰিলে। তেতিয়া খালত পৰি থকা শহাটোৱে কলে, "তোমালোকে মোক আৰু তুলিব নোৱাৰিবা। তোমালোক ইয়াৰ পৰা গুচি যোৱা।"

শহাটোৰ অৱস্থা দেখি তিনিওৰে মনত খুব দুখ লাগিছিল। কিন্তু বেচেৰাহঁতে কৰিবই বা কি! সিহঁত তাৰ পৰা গুচি গ'ল।

অলপ পিছতে শহাটোৱে খালটোৰ ওচৰতে শিয়ালৰ হোৱা শুনিবলৈ পালে। শিয়ালৰ হোৱা শুনি শহাটোৱে ভয়তে থৰ থৰকৈ কঁপিবলৈ ধৰিলে। সি ভাবিলে এতিয়া আৰু ৰক্ষা নাই। ভয়তে বিতত হৈ সি সৰ্বশক্তি প্ৰয়োগ কৰি এটা জাঁপ মাৰিলে। সেই জাঁপতে সি উঠিবলৈ সক্ষম হ'ল আৰু ভিৰাই লৰ দিলে।

শহাটোৱে দৌৰি গৈ থাকোতে বাটতে শহাপহু দুটা আৰু বান্দৰটোৰ সৈতে ভেটাভেটি হ'ল। সিহঁতে খালত পৰি থকা শহাটোক সন্মুখত দেখি আচৰিত হৈ সুধিলে, "আমি ইমান চেষ্টা কৰা সত্বেও তুমি খালৰ পৰা উঠিব পৰা নাছিলা। এতিয়া তুমি নিজে কেনেকৈ উঠি আহিবলৈ সক্ষম হলা?" তেতিয়া শহাটোৱে কলে, "মই যেতিয়া দেখিলো শিয়াল এটা হোৱা দি মোৰ ফালে আগবাঢ়ি আহিব ধৰিছে, তেতিয়া মই মৰণত শৰণ লৈ দেহৰ সৰ্বশক্তি প্ৰয়োগ কৰি এটা জাঁপ মাৰিলো আৰু সেই জাঁপতে পাৰলৈ উঠিবলৈ সক্ষম হলো।

শহাৰ কথা শুনি তিনিও ঢেকঢেকৈ হাঁহিবলৈ ধৰিলে।

-যমুনা ৰাণী-

মায়া সৰোবৰ

পুৰণি কালত অমৰাৱতী নগৰ নামৰ এখন ৰাজ্য আছিল। সেই ৰাজ্যত কুলশেখৰ নামৰ এজন ৰাজকৰ্মচাৰী আছিল। তেওঁৰ একমাত্ৰ পুত্ৰজনৰ নাম আছিল জয়শীল। জয়শীল সৰু থাকোতেই তেওঁৰ মাকৰ মৃত্যু হৈছিল। কুলশেখৰেই তেওঁৰ পুত্ৰক লালন-পালন কৰি ডাঙৰ-দীঘল কৰিছিল। জয়শীল লাহে লাহে ডাঙৰ হৈ যৌৱন প্ৰাপ্ত হ'ল। এই সময়চোৱাৰ ভিতৰতে জয়শীলে সকলো বিদ্যাৰ লগতে যুদ্ধবিদ্যাতো পাৰ্গত হৈ উঠিছিল।

কুলশেখৰৰ ইচ্ছা আছিল তেওঁৰ নিচিনাকৈ তেওঁৰ পুত্ৰইও যাতে ৰজাৰ দপ্তৰতে কাম কৰে আৰু ৰজাৰ কৃপাদৃষ্টিৰ পাত্ৰহয়। এই উদ্দেশ্যে কুলশেখৰে তেওঁৰ পুত্ৰক এদিন ৰজাৰ ওচৰলৈ লৈ যাবলৈ বিচাৰিছিল। কিন্তু এনেতে হঠাতে কুলশেখৰৰ মৃত্যু হৈছিল।

জয়শীল এতিয়া অকলশৰীয়া হ'ল। কিছুমান বেয়া স্বভাৱৰ যুৱকৰ লগত তেওঁৰ বন্ধুত্ব গঢ়ি উঠিছিল। সিহঁতৰ লগত পৰি জয়শীলে জুৱা খেলিবলৈ ধৰিলে। জুৱাৰ নিচাত পৰি তেওঁ দিনে ৰাতি জুৱাখেলা স্থানতে থাকিবলৈ ললে।

পিতাকৰ মৃত্যুৰ চাৰি-পাঁচ মাহৰ ভিতৰতে জয়শীলে পিতাকৰ সকলো সম্পত্তি শেষ কৰি দিলে। এতিয়া তেওঁৰ অৱস্থা অতিকৈ দুখলগা হ'ল। এবাৰ তেওঁ তিনিচাৰিদিন একোৱে নোখোৱাকৈয়ে জুৱাৰ আড্ডাতে পৰি আছিল। বাহিৰলৈ ওলাই আহিবলৈকো তেওঁৰ লাজ লাগিছিল, কাৰণ দাড়িবোৰ দীঘল হৈছিল আৰু পিন্ধা কাপোৰবোৰ লেতেৰা হৈছিল।

দেৱশৰ্মা নামৰ জয়শীলৰ এজন বন্ধুয়ে জয়শীলৰ দুৰ্দশাৰ প্ৰতি সহানুভূতি দেখুৱাই কলে, "জয়শীল, যি হবৰ আছিল হৈ গ'ল। তুমি নিজৰ দুৰ্দশা নিজেই মাতি আনিছা। তুমি হয়তো নাজানা জুৱাই মানুহক সদাগৰৰ



পৰা ভিক্ষাৰী কৰি দিব পাৰে । এই জুৱাৰ গাঁতত যিয়ে পৰে সি আৰু উঠি আহিব নোৱাৰে । তুমি এজন শিক্ষিত যুৱক । তুমি সুস্থিৰ হোৱা । যোৱা দিনবোৰৰ কথা মনত পেলাই দুখ কৰি থাকিলে কোনো লাভ নহব।”

দেৱশৰ্মাই কোৱা কথাখিনি জয়শীলে মনে মনে গভীৰভৱে বিবেচনা কৰি চালে । তাৰ পাছত তেওঁ দেৱশৰ্মাক কলে, “বন্ধু দেৱশৰ্মা, তুমি এজন মোৰ প্ৰকৃত বন্ধু হোৱা হেতুকে তুমি মোক ভাল উপদেশকে দিছা । আগলৈ কি কৰিব লাগিব মই অতিশীঘ্ৰে সিদ্ধান্ত লব লাগিব ।

দেৱশৰ্মাই কিবা কব খুজিছিল, কিন্তু এনেতে বাহিৰত হাহাকাৰ শুনা গ'ল । ৰজাৰ অশ্বাৰোহী বাহিনীৰ দলনায়ক কৃপাণজিতে লগত চাৰিজন সৈনিক লৈ আহি জুৱাখেলা ঘৰত সোমাই চাবুকেৰে মানুহবোৰক কোবাবলৈ ধৰিলে ।

জয়শীলে এই অন্যায় কাৰ্য্য সহ্য কৰিব নোৱাৰিলে । তেওঁ নম্ৰভাবে কৃপাণজিতক সুধিলে, “তুমি এনে কাম কিয় কৰিছা, এয়া অন্যায়, অধৰ্ম ।”

“জুৱাৰী এজনে মোক ন্যায়-অন্যায়ৰ কথা কবলৈ আহিছা । আঃ হাঃ, কি বিচিত্ৰ কথা জুৱাৰীয়েও উপদেশ দিয়ে ।” এইবুলি কৈ কৃপাণজিতে জয়শীলকো দুকোব মাৰিলে।

জয়শীলৰ গাত যেতিয়াই আঘাত লাগিল তেওঁ ক্ৰোধিত হৈ এডাল লাঠি লৈ কৃপাণজিতৰ মূৰত কোব মাৰি দিলে । কৃপাণজিতে দুখ পাই খাপৰ পৰা তৰোৱাল উলিয়াই লবলৈ উদ্যত হৈছিল । কিন্তু এনেত জয়শীলে তেওঁৰ কঁকালত এটা গোৰ মাৰি দিছিল । কৃপাণজিত দীঘল দি পৰি গৈছিল আৰু অলপ পাছতে চিঞৰ মাৰি থিয় হৈ উঠিছিল । তেওঁ বুজিব পাৰিছিল জয়শীলৰ সম্মুখত তেওঁ তিষ্ঠিত নোৱাৰিব । সেয়েহে তেওঁ ঘোঁৰাত উঠি পলাই যাবলৈ উদ্যত হ'ল। জয়শীলেও এক জাঁপ মাৰি কৃপাণজিতৰ ঘোঁৰাত উঠি ললে । এখন হাতেৰে লেকামডাল ধৰি আনখন হাতেৰে তেওঁ কৃপাণজিতৰ চুলিত খামুচি ধৰিলে । তাৰপাছত তেওঁ কৃপাণজিতক মাৰিবলৈ ধৰিলে । ঘোঁৰাটোৱে নিজৰ অভ্যাসমতে গৈ ৰাজভৱনৰ সম্মুখত থিয় হৈ ৰ'ল ।

সেই সময়ত ৰজাই ৰাজভৱনৰ ওপৰত থিয় হৈ মন্ত্ৰীৰ সৈতে কিবা বিষয় লৈ আলোচনা কৰি আছিল । তেওঁলোকে চন্তৰীক মাতি আনি আদেশ দিলে, “সেই

মদপীদুজনক আনি ইয়াত হাজিৰ কৰা ।"

চন্তৰীটোৱে কৃপাণজিত আৰু জয়শীলক লৈ ৰজাৰ সন্মুখত হাজিৰ হ'ল । ৰজাই অশ্বাৰোহীৰ দলনায়কক চিনি পাই কলে, "কৃপাণজিত তুমি মোৰ অশ্বাৰোহী বাহিনীৰ দলনায়ক । তুমি ঘোঁৰাৰ ওপৰত উঠি কি কৰ্ত্তব্য প্ৰদৰ্শন কৰিছিলা ?"

একো কথা লুক-ঢাক নকৰাকৈ কৃপাণজিতে যি হৈছিল সকলো কথা ৰজাৰ আগত কলে । গোটেই বৃত্তান্ত শুনাৰ পাছত ৰজাই খং ভাবে কলে, "কৃপাণজিত, তোমাৰ ভীৰুতাৰ কাৰণে আজি গোটেই সেনাবাহিনীৰে বদনাম হৈছে, তেওঁলোক অপমানিত হব লগা হৈছে । মই তোমাক দেশান্তৰ হোৱাৰ দন্ড দিলো । তোমাৰ তৰোৱাল ইয়াতে থৈ তুমি দেশৰ পৰা বাহিৰ হৈ যোৱা ।

কৃপাণজিতে তৰোৱালখন ৰজাৰ সন্মুখত থৈ নতশিৰে তাৰ পৰা ওলাই গ'ল। তাৰ পাছত জয়শীলৰ ফালে তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি ৰজাই কলে, "জুৱাৰী, মই তোমাক মৃত্যু দন্ডৰ আদেশ দিলো । তোমাৰ যদি কিবা কবলগা আছে কব পাৰা ।"

জয়শীল একেবাৰে নিৰাশ হৈ গৈছিল । তেওঁৰ কবলগীয়াও বিশেষ একো নাছিল । তথাপি তেওঁ অতি বিনীত ভাবে কলে, "মহাৰাজ, আপুনি যেতিয়া মোক মৃত্যুদন্ডৰ আদেশ দিছে তাৰপাছত মোৰ আৰু কবলৈ কি বাকী থাকিল ।"

"কি তোমাৰ নিজৰ প্ৰাণৰ ভয় নাই ?" ৰজাই আশ্চৰ্য্য প্ৰকাশ কৰি কলে । "দাৰিদ্ৰ ভয়ৰ সন্মুখত প্ৰাণ ভয়ৰ দামেই বা কিমান

মহাৰাজ ।" জয়শীলে কলে । তেতিয়া মন্ত্ৰীয়ে হস্তক্ষেপ কৰি কলে, "মহাৰাজ এই যুৱকজন প্ৰয়াত কুলশেখৰৰ একমাত্ৰ পুত্ৰ । এওঁৰ পিতৃ আমাৰে ৰাজকৰ্মচাৰী আছিল । আপুনি ইয়াক ক্ষমা কৰি দিয়ক ।"

"ঠিক আছে, মৃত্যুদন্ডৰ পৰা এওঁক ৰেহাই দিলো । তাৰ পৰিবৰ্তে দেশান্তৰ হোৱাৰ দন্ড দিলো ।" ৰজাই আদেশ দিলে । ৰজাক প্ৰণাম জনাই জয়শীলে তাৰপৰা যাব খুজিছিল, এনেতে ৰজাই কলে, "লোৱা, কৃপাণজিতে থৈ যোৱা তৰোৱালখন নিজৰ হাতত তুলি লোৱা । এসপ্তাহৰ ভিতৰতে তুমি মোৰ ৰাজ্য এৰি গুচি যাব লাগিব । কথাটো মনত আছেতো ?"

জয়শীলে অলপো সময় পলম নকৰাকৈ নগৰ এৰিলে । অৰণ্যৰ মাজৰ ৰাস্তাৰে তেওঁ যাবলৈ ধৰিলে । এইদৰে তেওঁ অৰণ্যৰ মাজত

থকা ফল-মূল খাই সাতদিন যাত্ৰা কৰিলে । গৈ গৈ এদিন তেওঁ সূৰ্য্যাস্তৰ সময়ত অন্য এখন দেশৰ ৰাজধানীৰ ওচৰত গৈ উপস্থিত হ'ল ।

সেইদিনা ৰাতি তেওঁ এডাল বটগছৰ তলতে থাকিল । অলপ পিছতে তেওঁৰ গভীৰ টোপনি আহিল । ঠিক মাজনিশা শিয়ালৰ হোৱা শুনি তেওঁ সাৰ পাই গ'ল । অলপ দূৰৰ পৰা গছৰ মাজে মাজে অকণ অকণ পোহৰ আহিছিল । ধোঁৱাও দেখা গৈছিল । জয়শীলে আচৰিত হৈ সেইফালে চাই আছিল। এনেতে "ৰক্ষা কৰা, ৰক্ষা কৰা ! মহাকালে মোক লৈ যাব খুজিছে," এনে ধৰণৰ এক আৰ্তনাদ তেওঁ শুনিবলৈ পালে।

জয়শীলে শোৱাৰ পৰা উঠি তৰোৱালখন উলিয়াই ললে । যি ফালৰ পৰা চিঞৰটো আহিছিল সেই ফালে তেওঁ দৌৰি গ'ল । সেইখন এখন শ্মশান আছিল । তাত দুই-তিনটা মৰাশ পুৰি আছিল । সেই জুইৰ পোহৰত তেওঁ ক'লা কাপোৰ পিন্ধি থকা এক ব্যক্তিক দেখিছিল । তাৰ চুলিবোৰ বিশৃঙ্খল হৈ আছিল আৰু আৰ্তনাদ কৰি সি দৌৰি পলাই গৈছিল । গোটেই শৰীৰতে বগা কাপোৰপিন্ধা অন্য এজন ব্যক্তিয়ে তাৰ পিছে পিছে খেদি গৈ আছিল । "ৰবা, ৰবা । মহাকালৰ এই সেৱক কালকালক দেখি থৰ থৰকৈ কিয় কঁপিছা ?

জয়শীলে সেই কালকালক আগভেটি ধৰি কলে, "তুমি যিয়েই নোহোৱা কিয় মই তোমাক ভয় নকৰো । কাৰোবাক পিছে পিছে খেদি গৈ মাৰিবলৈ যোৱাতো মই নীৰৱে চাই থাকিব নোৱাৰো । তোমাৰ এই কামত নিশ্চয় বাধা দিম ।"

জয়শীলৰ কথা শুনি কালকালে এটা বিকৃত হাঁহি মাৰি কলে, "তোমাৰ সাহসক মই ধন্যবাদ জনাইছো । পিছে-এয়া মোৰ আছল ৰূপ চাই লোৱা ।" এই বুলি কৈ কালকালে বগাকাপোৰবোৰ দলিয়াই পেলাই দিলে ।

কালকালৰ সেই ৰূপ অতি ভয়ঙ্কৰ আছিল । তাৰ শৰীৰৰ ৰং কিচকিচিয়া ক'লা। চকু দুটা যেন দুটা জলন্ত লাইট । তাৰ মুখৰ পৰা জুই ওলাই আছিল । কালকালে এক ভয়ানক গৰ্জন কৰি উঠিল ।

জয়শীল ক্ষন্তেকৰ কাৰণে স্তম্ভিত হৈ ৰ'ল। তাৰপাছত নিজকে সংযত কৰি তৰোৱালখন উলিয়াই লৈ কালকালৰ ফালে দাঙি লৈ কলে, "ঐ দুষ্ট, তোৰ বিকৃত ৰূপদেখি ভয়খোৱা লোক মই নহয় । ভয়তে পলাই

যোৱা ব্যক্তিক তই মাৰিবলৈ খুজিছ । তয়ো এজন এক নম্বৰ ভীৰু ।”

কালকালে অলপ পিছুহুকি গৈ কলে, “যুৱক, তোমাৰ সাহসক মই প্ৰশংসা কৰিছো। অমানুষিক শক্তিবোৰক মৃত্যুৰ দেৱতাই হে বশ কৰি ৰাখিব পাৰে এতিয়া যিয়ে মোক আহবান কৰিছে সেই সিদ্ধসাধক অলপ ধতুৰা । এনে লোকক মাৰি পেলোৱাই উচিত ।” এইবুলি কৈ সি আগবাঢ়ি যোৱাৰ চেষ্টা কৰিলে ।

জয়শীলে তৰোৱালখন কালকালৰ বুকুৰ আগত ৰাখিলে সি যাতে আগবাঢ়িব নোৱাৰে। তাৰপাছত তেওঁ সিদ্ধসাধকৰ ফালে ঘূৰি চালে । এনেতে কালকালে বুকুৰ আগৰ পৰা তৰোৱালখন গুচাই দিলে ।

কিন্তু জয়শীলে তাক আগবাঢ়িব দিব নুখুজিলে । তেওঁ তৎক্ষণাত তৰোৱাল খনেৰে কালকালৰ ডিঙিত ঘাপ মাৰি দিলে। কালকালৰ মূৰ গৈ মাটিত চিতিকি পৰিল । পিছমুহূৰ্ত্তে সেই পৰিযোৱা মূৰটোৱে উঠি হাঁহি হাঁহি কলে, “জয়শীল, নিসন্দেহে তুমি এজন মহাবীৰ । মোৰ ৰক্তেৰে তোমাৰ তৰোৱাল তিতি গৈছে । ইয়াৰ অৰ্থ হ’ল তোমৰ তৰোৱালখন অমোঘ শক্তিশালী তথা মহিমাময়ী । যোৱা, যিয়ে সাধনা কৰা নিষ্কণ্টকে পূৰণ হব ।”

তাৰ কথা শুনি জয়শীল স্তব্ধ হৈ ৰল । আচৰিত হৈ তেওঁ সেই কটামূৰটোৰ ওচৰলৈ গৈ ইফালে সিফালে মূৰটো লৰাই চালে । সেইটো এতিয়া নিৰ্জীৱ । যাৰ মৃত্যু হ’ল সিও এজন শক্তিশালী বীৰ আছিল । তাৰ কাণ আৰু নাকত সোণৰ অলঙ্কাৰ আছিল । তাৰ কণ্ঠত এধাৰ মালা আছিল । জয়শীলে একান্ত চিত্তে তাৰ ফালে চালে ।

জয়শীলে তৰোৱালখন খাপত সুমুৱাই থৈ সেই ক’লা কাপোৰ পিন্ধা মানুহজনক বিচাৰিবলৈ ধৰিলে । মানুহজনক আশে-পাশে ক’তো দেখা পোৱা নগল । কলৈ বা গ’ল ? ভয়তে বিতত হৈ কোনো গছৰ তলত অচেতন হৈ পৰি থকা নাইতো ? এইদৰে ভাবি ভাবি গৈ তেওঁ সেই বটগছজোপাৰ তল পালে য’ত তেওঁ আগতে শুই আছিল ।

গছজোপাৰ ডালত ফেচাই কুৰুলীয়াই আছিল । দূৰত শিয়ালৰ হোৱা শুনা গৈছিল। তেওঁ ভাবিলে এতিয়া আৰু ইয়াত শোৱা সম্ভৱ নহব । তাৰোপৰি তেওঁৰ খুব পিয়াহ লাগিছিল।

ৰাতিৰ তৃতীয় প্ৰহৰো শেষ হ’ল যেন পাইছো । ওচৰৰে কৰবাত সৰোবৰ থাকিলে তাতে পানী খাই পিয়াহ গুচাব লাগিব ।

"বাচা, ৰাতি পোহৰ হোৱালৈকে কোনো অতিথিশালাত শুই থাকিব লাগিছিল । ইমান ৰাতি কিয় যাত্ৰা কৰিছা ? ভিতৰলৈ আহা । পানী খোৱাহি ।"

জয়শীল ভিতৰলৈ গ'ল । চাকিৰ পোহৰত বুঢ়ীয়ে খুব মনোযোগেৰে তেওঁৰ ফালে চালে আৰু আচৰিত হৈ কলে, "মই ভাবিছিলো তুমি তীৰ্থযাত্ৰা কৰিবলৈ অহা কোনো বৃদ্ধ লোক । কিন্তু এয়া কি ? ইমান কম বয়সতে কঁকালত তৰোৱাল বান্ধি লৈ অৰণ্যৰ মাজত ঘূৰি ফুৰিছা ?"

জয়শীলে পানী খাই উঠি কলে, "তুমি মোক পানী খাবলৈ দি মোৰ জীৱন ৰক্ষা কৰিলা । ঘৰত আৰু কোনো নাই যেন পাইছো।"

"হয় বাচা, কোনো নাই । মোৰ কোনো সন্তান নাই । মোৰ পতিৰ যোৱা বছৰ মৃত্যু হৈছে । তেওঁ ৰজাৰ ঘৰত কাম কৰিছিল । তেওঁৰ মৃত্যুৰ পিছত ৰজাই তেওঁৰ দৰমহাৰ এটা অংশ মোৰ ভৰণ-পোষণৰ বাবে দিয়ে । সেই টকাখিনিৰে কোনোমতে চলি আছো।" বুঢ়ীয়ে কলে ।

"মা, মই এই ঠাইলৈ নতুনকৈ আহিছো। ইয়াৰ ওচৰতে থকা নগৰখনৰ নাম কি ? ইয়াৰ ৰজা কোন ?" জয়শীলে সুধিলে ।

বুঢ়ীয়ে কলে, "নগৰখনৰ নাম হিৰণ্যপুৰ। ইয়াৰ ৰজা হ'ল কনকাক্ষ । তেওঁ এজন অতি ধাৰ্মিক লোক । তেওঁ সদায় প্ৰজাৰ হিতৰ কথাই চিন্তা কৰে । কিন্তু এমাহমান আগতে ৰাজকুমাৰী আৰু যুৱৰাজক কোনোবাই অপহৰণ কৰি নিছে । সেই দিনধৰি ৰজাই চিন্তা কৰি কৰি ৰুগীয়া হৈ পৰিছে ।"

তাতে একেলগে গাটোও ধুই লৈ নগৰলৈ বুলি ৰাওনা হম । কাপোৰবোৰ ফাটি গৈছে, ময়লাও হৈছে । তথাপি কঁকালত বান্ধিলোৱা তৰোৱালখন দেখি আৰু তৰোৱালৰ মুঠিটোৰ নক্সা দেখি মানুহে ভাবিব মই কোনো ডাঙৰ বংশৰে লোক । যদি কোনোবাই সোধে তেতিয়া কৈ দিম যে অৰণ্যৰ মাজত ডকাইতৰ সৈতে যুদ্ধ কৰি সিহঁতক মাৰি থৈ আহিছো। ইয়াকে ভাবি জয়শীলে তাৰপৰা গুচি গ'ল। সেই ভয়ঙ্কৰ শ্মশানখন এৰি কিছুদূৰ যোৱাৰ পাছতে তেওঁ এটা সৰু ঘৰ দেখিবলৈ পালে। ঘৰটোৰ ভিতৰত এখোৰ চাকি জ্বলি আছিল। জয়শীলে সেই ঘৰৰ গৰাকীৰ পৰা পানী খুজি খাব বিচাৰিছিল । দুৱাৰমুখত থিয় হৈ তেওঁ মাতিলে, "ঘৰত কোন আছে ? মই এজন মুছাফিৰ । খাবলৈ পানী পামনে ?"

তৎক্ষণাত ঘৰৰ দুৱাৰ খুলি হাতত এটা চাকি লৈ এজনী বুঢ়ী ওলাই আহি কলে,

জয়শীল চিন্তাত পৰিল । এই ৰুগীয়া ৰজাৰ ওচৰতনো তেওঁ কেনেকৈ চাকৰি বিচাৰিব ? তেওঁ সেই আশা ত্যাগ কৰিলে । ৰজাৰ বিষয়ে সবিশেষ জানিবলৈ তেওঁৰ উৎকণ্ঠা বাঢ়ি গ'ল।

"মা, ৰজাৰ কোনো শত্ৰু আছে চাগৈ । সেই শত্ৰুই তেওঁৰ পুত্ৰ আৰু কন্যাক অপহৰণ কৰি নিছে বোধ হয় । মোৰ অনুমান সঁচা নে?" জয়শীলে সুধিলে ।

"কথা যদি সেইটোৱে হ'লহেতেন তাত কোনো চিন্তা কৰিবলগীয়া নাছিল । ৰজা কনকাক্ষই সেই শত্ৰুক বধ কৰি পুত্ৰ আৰু কন্যাক উদ্ধাৰ কৰি লৈ আহিল হেতেন । মানুহে ভাবে তেওঁলোকক কোনোবা ৰাক্ষস অথবা যক্ষই অপহৰণ কৰি লৈ গৈছে।" বুঢ়ীয়ে কলে ।

এই বিষয়ে বুঢ়ীয়ে আৰু কিবা কব খুজিছিল, এনেতে বাহিৰত কোলাহল শুনা গ'ল । এজন মানুহে কান্দি কান্দি কৈ আছিল, "মহাশয়, শ্মশানত মোৰ পিতাৰ শিৰশ্চেদ কৰা ব্যক্তিজন এই ফালেই আহিছে । চাওক, এই অন্ধাৰ নিশা বুঢ়ী বামুণীৰ ঘৰত চাকি জ্বলি আছে । দয়া কৰি তেওঁক সোধকচোন তেওঁ হত্যাকাৰীক দেখিছিল নেকি ?

"তুমিতো শ্মশানৰ পহৰাদাৰ । বেচি কথা নকবা । সেই মহাবীৰজনে যাৰ শিৰশ্চেদ কৰিছে সেইজন হ'ল কালকাল, যিয়ে নিজকে ভূতপ্ৰেতৰ গুৰু বুলি কৈছিল । এই সকলোবোৰ কথা মই খুব ভালদৰে জানো।" অন্য এজন মানুহে কৈছিল ।

সিহঁত দুয়োকে ধমক দি তৃতীয় ব্যক্তি এজনে কৈছিল, "তোমালোক দুয়ো আৰু কথা নকবা । মৃত্যুহোৱা শ্মশানৰ পহৰাদাৰজন আকৌ কেনেকৈ জীয়াই উঠিল সেইটো পৰ্যবেক্ষণ কৰাৰ ভাৰ মন্ত্ৰীয়ে মোৰ ওপৰত অৰ্পণ কৰিছে । জানানে মই এজন নগৰ ৰক্ষক । মোৰ কামত বাধা নিদিবা ।

ঘৰৰ ভিতৰৰ পৰা জয়শীলে এই সকলোবোৰ কথা শুনিবলৈ পালে । তেওঁ বুঢ়ীক কলে, "বুঢ়ীমা, মোক ধৰিবলৈ নগৰ ৰক্ষক আৰু কোনোবা সৈনিক অহা যেন লাগিছে । মই ইয়াতে থকাতো উচিত হব নে পিছফালৰ দুৱাৰেৰে গুচি যোৱাতো ভাল হব?"

বুঢ়ীয়ে কিবা উত্তৰ দিয়াৰ আগতে নগৰ ৰক্ষকে জোৰে জোৰে বুঢ়ীৰ দুৱাৰত খট্‌খটাই দি কবলৈ ধৰিলে--"ভিতৰত কোন আছা? তৎক্ষণাত দুৱাৰ খোলা ।"



দলনায়ক

দূৰ্গাপুৰৰ ৰজাৰ লগত চুবুৰীয়া শত্ৰু ৰজাৰ যুদ্ধ চলিআছিল । পাহৰুৱা বাটৰ ঠিক মাজতে এটা বৰ ডাঙৰ শিল পৰি আছিল । ইয়াৰ ফলত সেই বাটেৰে অহা যোৱা কৰা সম্ভৱ নাছিল । দূৰ্গাপুৰৰ সৈন্যসকলে সেই শিলটো তাৰ পৰা আঁতৰাবলৈ চেষ্টা কৰিছিল । তেওঁলোকে সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰা স্বত্বেও সফল হব পৰা নাছিল । কিছুদূৰত সিহঁতৰ কাম নিৰীক্ষণ কৰি থকা দলনায়কে কলে, "ইমানজন লোক থাকি কি লাভ ? এটা শিল তেতিয়াৰ পৰা আঁতৰাব পৰা নাই । সোনকালে শিলটো বাটৰ পৰা গুচাই দিয়া । যিকোনো মুহুৰ্ত্ততে ৰজাৰ ৰথ এই পথেৰে যাব পাৰে । অপদাৰ্থ কৰবাৰ ।"

সেই সময়ত ঘোঁৰাত উঠি এজন মানুহ সেইখিনি ঠাই আহি পালে । কিছুসময় ৰৈ তাত কি হৈছে তেওঁ সকলো বুজ ললে । তাৰ পাছত তেওঁ দলনায়কক কলে "তুমিও এই দহজন সৈন্যৰ লগত লগ লাগি চেষ্টা কৰিলে কিজানি এই শিলটো ইয়াৰ পৰা আঁতৰাবয়ে পাৰা । এই বিষয়ে তুমি চিন্তা কৰিছানে ?"

"মই ? মই এজন দলনায়ক ।" দলনায়কে গৰ্বেৰে সৈতে কলে ।

দলনায়কৰ কথা শুনাৰ পাছত মানুহজন ঘোঁৰাৰ পৰা নানি সৈন্যবোৰৰ ওচৰলৈ গ'ল । সৈন্যসকলৰ মাজত উৎসাহ জগাই তেওঁ কলে, "বলা, সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰি বাটৰ পৰা শিলটো আঁতৰাও ।"

কিছুসময় পাছত সকলোৱে মিলি বাটৰ পৰা শিলটো গুচাই দিলে । মানুহজন অতি আনন্দিত হৈ পুনৰ ঘোঁৰাৰ ওপৰত উঠি দলনায়কক কলে, "যদি কেতিয়াবা বাটত পৰি থকা ডাঙৰ শিল আঁতৰাবৰ প্ৰয়োজন হয় তেন্তে আপোনাৰ সেনাপতি বীৰবৰ্মাক খবৰ পঠাব ।" এইবুলি কৈ তেওঁ বেগেৰে ঘোঁৰা চলাই গ'ল ।

তেওঁৰ কথাবোৰ শুনাৰ পাছত দলনায়ক আৰু সৈন্যবোৰে জানিব পাৰিলে যে ঘোঁৰাত উঠি অহা মানুহজন আন কোনো নহয় স্বয়ং দূৰ্গাপুৰৰ সেনাপতি বীৰবৰ্মা ।

- মনজিৎ সিংহ



ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

ৰজাৰ বানপ্ৰস্থ

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপৰ ওপৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনিলে । সেইটো নিজৰ কান্ধত পেলাই লৈ তেওঁ শ্মশানৰ ফালে আগবাঢ়িবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "তুমি নিৰ্ভীক ভাৱে এই ভয়ঙ্কৰ শ্মশানৰ মাজেৰে অকলে যাব ধৰিছা । এই ঠাই ডোখৰত বহুত ভূত প্ৰেত আছে । ইয়াত এনেদৰে থকাটো বিপুদমক্ত নহয় । তোমাৰ এই চেষ্টা দেখি মোৰ সন্দেহ হৈছে যে নিশ্চয় তোমাৰ কিবা লক্ষ্য আছে । তেতিয়াহলেটো মোৰ দৃষ্টিত এইটো সম্পূৰ্ণ ভাৱে তোমাৰ মূৰ্খতা । কেতিয়াবা কেতিয়াবাটো শাস্ত্ৰ বিশাৰদ সকলেও অসম্ভৱ পৰিস্থিতত পৰে । তেওঁলোকে নিজেই বুজি নাপায় যে তেওঁলোকে কি

কৰিছে বা কি কৰিব লাগে। উদাহৰণ স্বৰূপে তোমাক সত্যকীৰ্তি নামৰ ৰজাৰ কাহিনী কম । পথৰ ভাগৰ দূৰ কৰিবলৈ তেওঁৰ কাহিনী মনোযোগেৰে শুনা”। ইয়াকে কৈ বেতালে ৰজা সত্যকীৰ্তিৰ কাহিনী কবলৈ আৰম্ভ কৰিলে ।

বহুদিন আগৰ কথা । সত্যকীৰ্তি বৰাল দেশৰ ৰজা আছিল । তেওঁ এজন শ্ৰেষ্ঠ ৰজা আছিল । তেওঁ সুবিচাৰ বিবেচনাৰে ৰাজ্য শাসন কৰিছিল। প্ৰজাসকলে তেওঁক খুব ভাল পাইছিল । তেওঁৰ শাসন কালত প্ৰজাসকল খুব সুখী আছিল । গোটেই ৰাজ্যতে শান্তি বিৰাজ কৰিছিল । বয়স বাঢ়ি অহাৰ লগে লগে শাসন সম্বন্ধীয় বিষয়ত তেওঁৰ আসক্তি কমি আহিব ধৰিলে । তেওঁৰ শাৰীৰিক বিশ্ৰামৰ প্ৰয়োজন হ’ল । ৰজাই নিজৰ শৰীৰৰ অৱস্থাৰ কথা বুজিব পাৰিলে আৰু নিজকে শাসন ভাৰৰ দায়িত্বৰ পৰা আতঁৰাই অনাটো উচিত বুলি বিবেচনা কৰিলে । সত্যকীৰ্তি ৰজাৰ চাৰিজন পুত্ৰ আছিল । চাৰিওজন পুতেকে বীৰ, বিদ্বান, আৰু বুদ্ধিমান আছিল । সেয়েহে ৰজাই মন্ত্ৰী আৰু সামন্তসকলৰ পৰা আৱশ্যকীয় পৰামৰ্শ লৈ তথা বিচাৰ বিবেচনা কৰি ডাঙৰ পুতেক ৰামভদ্ৰৰ ৰাজ্যাভিষেক পাতিলে আৰু শাসন ভাৰ তেওঁৰ ওপৰত সমৰ্পণ কৰিলে ।

ইয়াৰ দুবছৰ আগতেই মহাৰাণীৰ মৃত্যু ঘটিছিল । সেয়েহে ৰজা সত্যকীৰ্তি ঘৰত অকলে থাকিব লগা হৈছিল । ভক্তি-পথত নিজক সমৰ্পণ কৰাটো তেওঁ উচিত বুলি বিবেচনা কৰিলে আৰু এই বিষয়ত মনোযোগ দিবলৈ ধৰিলে যদিও তেওঁৰ মন স্থিৰ হব পৰা নাছিল । এই ভাবি তেওঁ চিন্তাত পৰিছিল যে তেওঁৰ মন কিয় ইমান চঞ্চল আৰু ভক্তিৰ ক্ষেত্ৰত তেওঁ কিয় মনোযোগ দিব পৰা নাই । তেওঁ নিজেই বহুত ভাল বেয়া চিন্তা কৰি শেষত এই সিদ্ধান্ত কৰিলে যে সাধু-সন্ন্যাসীৰ লগত নিজৰ শেষ কালছোৱা কটাব, আশ্ৰমত থাকিব আৰু ভক্তিপথত নিজকে সমৰ্পণ কৰিব । তেওঁ নিজৰ মনৰ কথা বৃহস্পতি ভট্ট নামৰ এজন পণ্ডিতক জনালে, যিজন সদায় তেওঁৰ ঘৰলৈ অহা যোৱা কৰিছিল ।

বৃহস্পতি ভট্টই ৰজাৰ মনৰ ভাৱ জানিব পাৰি বহুত সুখী হ’ল আৰু কলে, “আপুনি সঠিক কথায় চিন্তা কৰিছে । সাংসাৰিক মায়ামোহৰ পৰা দূৰত থাকিবলৈ হলে সাধু-সন্ন্যাসীৰ লগত থকাটোয়ে উত্তম আৰু শ্ৰেয় । আধ্যাত্মিকতা আৰু জীৱনৰ পৰা মুক্তি পোৱাৰ ইয়েই হ’ল আচল পথ ।”

তথাপিও ৰজাই কিছুসময় চিন্তা কৰিব ধৰিলে। বহুত ভবা চিন্তা কৰাৰ পাছত ৰজাই বৃহস্পতি ভট্টক কলে, “আপুনি ঠিকেই কৈছে । কিন্তু জন্মৰ পৰাই মই সুখতেই কটাইছো । আশ্ৰমত থাকিলে কঠোৰ নিয়ম কানুন পালন কৰিব লাগিব । আহাৰৰ ক্ষেত্ৰত নিজকে নিয়ন্ত্ৰনত ৰাখিব লাগিব । মোৰ ভয় হয় যে মই এই নিয়ম কানুনবোৰ মানি চলিব পাৰিমনে নোৱাৰিম । এই পৰীক্ষাত মই যদি পৰাজিত হওঁ তেতিয়াহলে নাযাওঁ ।”

এই কথাত বৃহস্পতি ভট্টই হাঁহিমাৰি কলে, "মহাৰাজ, আপুনি একো ভয় নাখাব । প্ৰথমতে কিছুদিনলৈ এইটো টান লাগিব কিন্তু লাহে লাহে আপোনাৰ অভ্যাসত পৰিণত হব আৰু মুক্তিৰ পথত আপুনি ধ্যান দিব পাৰিব । নিসন্দেহে আপুনি সফল হব ।" এইটো মোৰ দৃঢ় বিশ্বাস ।

ভট্টৰ কথাৰ প্ৰতিক্ৰিয়া ৰজাৰ ওপৰত পৰিল। তথাপিও নিজৰ ওপৰত সম্পূৰ্ণ বিশ্বাস নহল । সেয়েহে তেওঁ কলে, "এটা কাম কৰো । আমাৰ ৰাজধানীৰ ওচৰতে থকা চম্পকবনত কাৰ্তিকেয় নামৰ সন্যাসীজনে তপস্যাত মগ্ন হৈ আছে । তাতেই কিছুদিন থাকো । তাত থকা পৰিস্থিতিৰ পৰা মই বুজিব পাৰিম যে মই ইয়াৰ যোগ্য হয় নে নহয় ।"

বৃহস্পতি ভট্টৰো ৰজাৰ এই প্ৰস্তাব সঠিক যেন লাগিল । ভট্টৰ পৰা স্বীকৃতি পোৱাৰ পাছত ৰজাই যাত্ৰাৰ বাবে সাজু হ'ল । দেউতাকৰ এই যাত্ৰাত ৰজাৰ চাৰিওজন পুত্ৰই আপত্তি কৰিলে।

তেতিয়া ৰজাই তেওঁলোকক শান্ত হবলৈ দি কলে, "যদি সেই পৰিবেশ মোৰ সহ্য নহয়, তেন্তে মই নিশ্চয় উলটি আহিম ।" দেউতাকৰ আশ্বাস পাই তেওঁলোক মনে মনে থাকিল ।

ৰজা সত্যকীৰ্তিয়ে এজনে পৰিচাৰক আৰু এজনী পৰিচাৰিকা লগত লৈ চম্পকবন পালে । কাৰ্তিকেয় সন্যাসীৰ কাষতেই ৰজাৰ বাবে এটা পৰ্ণকুটীৰ আগতেই নিৰ্মাণ কৰি ৰাখিছিল । তাত কোমল বিচনাৰ ব্যৱস্থাও কৰা হৈছিল । কাষতে মেজৰ ওপৰত হৰেক ৰকম ফলমূলৰ লগতে সুস্বাদু আহাৰও সজাই ৰাখিছিল । কুটীৰৰ একাষত পূজা কৰিবলৈ মন্দিৰ স্থাপন কৰিছিল, য'ত অনেক দেৱ-দেৱীৰ চিত্ৰ সজ্জিত আছিল । ইয়াৰ উপৰিও তাত চিত্ৰাসন, ৰুদ্ৰাক্ষৰ জপমালাও আছিল ।

সত্যকীৰ্তি ৰজাই আগতেই সকলো ব্যৱস্থা সুচাৰুৰূপে কৰি থোৱা বাবে পৰিচাৰক আৰু পৰিচাৰিকাবোৰৰ খুব প্ৰসংশা কৰিলে ।

ৰাতি ভোজন কৰাৰ পাছত ৰজাই বিশ্ৰাম ললে আৰু ৰাতিপুৱাই কাৰ্তিকেয় সন্যাসীক দৰ্শন কৰিবলৈ ওলাল । তাত গৈ তেওঁ দেখিলে যে এজোপা আমাৰ তলত কাৰ্তিকেয় সন্নয়াসীয়ে তপোমগ্ন হৈ আছে ।

ৰজাই সন্যাসীৰ তপস্যাত ব্যাঘাত নজন্মাই লাহে লাহে তাৰ পৰা গুচি আহি পিৰালিত বহিলে। কেইবা ঘন্টাও পাৰ হৈ গ'ল, তথাপিও কাৰ্তিকেয় তপস্যাতে মগ্ন । ৰজাই পিৰালিৰ পৰা উঠি ওচৰৰে প্ৰাকৃতিক দৃশ্য মনোযোগেৰে চাব ধৰিলে । কিছুসময় পাছতে পিছফালৰ পৰা "মহাৰাজ" বুলি কোনোবাই মতা শুনি তেওঁ ঘূৰি চালে ।

তেওঁ দেখিলে যে কাৰ্তিকেয় হাঁহিমুখে তেওঁৰ ওচৰত থিয় হৈ আছে । সত্যকীৰ্তিয়ে মূৰ দোঁৱাই তেওঁক প্ৰনাম কৰিল ।

কাৰ্তিকেয়ই 'সুখীহোৱা' বুলি আশীৰ্বাদ দিলে আৰু কলে, "আহা আমি এই পিৰালীতে বহো। দুয়ো পিৰালীত বহাৰ পাছত কাৰ্তিকেয়ই সুধিলে,



“তোমাৰ সেৱকসকল ইয়াৰ পৰা গ'লনে ?”

এই প্ৰশ্নত ৰজা সত্যকীৰ্তিয়ে অলপ লাজ পোৱাযেন পালে আৰু কলে, “পৰ্ণকুটীৰত মোৰ বাবে আৱশ্যকীয় সকলো সুবিধা কৰিথৈ তেওঁলোক ৰাজধানীলৈ উভতি গৈছে । স্বামী, এতিয়া মোৰ লগত মাত্ৰ এজন সেৱক আৰু এগৰাকী সেৱিকা আছে । যেতিয়া মই বানপ্ৰস্থ জীৱন গ্ৰহণ কৰিম, তেতিয়া ইহঁত দুজনো গুচি যাব । আপুনিতো জানেই মোৰ জীৱনকাল সদায় সুখতে পাৰ হৈছে । যিহেতু মই এজন ৰজা আছিলো ।” তাৰ পাছত তেওঁ ইয়ালৈ অহাৰ সকলো কাৰণ সন্ন্যাসীৰ আগত ব্যক্ত কৰিলে ।

কাৰ্তিকেয়ই ৰজাৰ কাহিনী মনোযোগেৰে শুনিলে । তাৰপিছত সুধিলে, “তাৰমানে তুমি ইয়ালৈ অহাৰ বহুত সময় হৈছে । ইমান সময় তুমি কি কৰিছিলা ? কৰবালৈ গৈছিলা নেকি ?”

সত্যকীৰ্তিয়ে সংকোচ কৰি কলে, “হয় কিছুসময় অৱশ্যে মই অস্থিৰ হৈ পৰিছিলো । ইয়াৰ মাজতে চম্পকবনৰ প্ৰাকৃতিক দৃশ্য দেখিলো । এইবোৰ দেখি মোৰ মস্তিষ্কত বহুতো প্ৰশ্নৰ সৃষ্টি হৈছে ।”

“মইও জানিব পাৰোনে তোমাৰ মনৰ ভাব কি ?” কাৰ্তিকেয়ই সুধিলে ।

“স্বামী, এই চম্পকবনত বহুতো ফল মূলৰ গছ আছে । বহুতো দৰকাৰী ঔষধিলতা লগতে সৰু সৰু গছো আছে । ৰাজবৈদ্য ভীষ্মাচাৰ্য্যক ইয়ালৈ মাতি আনি জানিব খুজিছো ইয়াত কিমান বনৌষধি গছ-লতা আছে । ৰোগ নিৰাময় কৰাৰ ঔষধ বনোৱাৰ দায়িত্ব তেওঁক দিব খুজিছো ।” সত্যকীৰ্তিয়ে কলে ।

সকলো কথা শুনাৰ পাছত গম্ভীৰ স্বৰত কাৰ্তিকেয়ই কলে, “ৰাজন, তুমি অত্যন্ত জ্ঞানী। মই যি শুনিছিলো, ইয়াৰ দ্বাৰা এইটো স্পষ্ট যে তুমি সকলো শাস্ত্ৰতে পাৰ্গত । কি তুমি বিশ্বাস কৰা নেকি যে চকু বন্ধ কৰি ধ্যান কৰিলে, তপ-জপ কৰিলে মুক্তি লাভ কৰিব পাৰি ?”

সতকীৰ্তিয়ে মৌনহৈ তেওঁৰ কথা শুনিলে । তেতিয়া কাৰ্তিকেয়ই তেওঁক কলে, “চোৱা ৰাজন, তুমি অতি সোনকালেই ৰাজধানীলৈ উভতি যোৱা । আৰামত দিন কটোৱা । ৰজা হিচাপে তোমাৰ বিচাৰ, বুদ্ধি উপযুক্ত কামত লগোৱা । ইয়াৰ দ্বাৰা মানৱ জাতিৰ উপকাৰ হব । চম্পকবনৰ বিষয়ে তোমাৰ যি ধাৰণা ই সচাঁকৈয়ে অতি উত্তম ।”

কোনো কথা নোকোৱাকৈ সত্যকীৰ্তিয়ে কাৰ্তিকেয়ৰ ভৰি চুই প্ৰণাম কৰিলে আৰু অনুমতি লৈ তাৰ পৰা বিদায় ললে । আন এদিনাখন তেওঁ ৰাজধানীলৈ উভতি গ'ল ।

বেতালে এই কাহিনী শুনোৱাৰ পাছত ৰজা বিক্ৰমাদিত্যক কলে, “ৰাজন সন্ন্যাসী কাৰ্তিকেয়ই ৰজা সত্যকীৰ্তিক এজন সফল শাস্ত্ৰজ্ঞ বুলি কৈছে। বানপ্ৰস্থ আৰু তপস্যাৰ বাবে কোনো জ্ঞনোপদেশ নিদিয়াকৈ ৰাজধানীলৈ উভতি যাব কলে । মোৰ দৃষ্টিত তেওঁৰ এই কাম উচিত আৰু সংগত নহয় । সন্ন্যাসীসকলে সকলো ত্যাগ

কৰে। আধ্যাত্মিক চিন্তাৰে সৈতে তপস্যা কৰে । এই সন্ন্যাসীসকলৰ মাজত গভীৰ ভাববোধ নাথাকে । সেয়েহে কাৰ্তিকেয়ই ৰজাক এনে পৰামৰ্শ দিছে । কিন্তু ৰজাই অন্ততঃ সন্ন্যাসীৰ পৰা তপস্যা কৰাৰ অনুমতি বিচাৰিব লাগিছিল। এনে নকৰি সন্ন্যাসীয়ে কোৰাৰ পাছতেই ৰাজধানীলৈ ঘূৰি আহিলে । এইটো কি তেওঁৰ অবিবেক ভৰা কাম নহয় ? ভবিষ্যতে তেওঁ বানপ্ৰস্থীও হব নোৱাৰিব আৰু তপস্যাও কৰিব নোৱাৰিব । জীৱনৰ পৰা মুক্তি পোৱাৰ তেওঁৰ যি আকাংক্ষা, সি আকাংক্ষা হৈয়ে ৰৈ যাব । মোৰ এই সন্দেহৰ সমাধান জানিও যদি তুমি মনেমনে থাকা তেন্তে তোমাৰ মূৰটো টুকুৰা টুকুৰ হৈ যাব ।"

বিক্ৰমাদিত্যই তেতিয়া কলে, "কথাতে কয় মানৱ সেৱাই ভগৱানৰ সেৱা । ৰজা সত্যকীৰ্তি দীৰ্ঘদিন ধৰি মানৱ সেৱা কাৰ্যত জড়িত আছিল। কিন্তু বয়স বঢ়াৰ কাৰণে, শাৰীৰিক শক্তি-হীণতাৰ কাৰণে শাসন ভাৰৰ দায়িত্বৰ পৰা আঁতৰি আহিছিল । এতিয়া তেওঁ বানপ্ৰস্থ আৰু তপস্যাৰ বিষয়ে চিন্তা কৰিব ধৰিছে । তেওঁ ভাবিছিলে ইয়াৰ সহায়ত মুক্তি পোৱা যায় । কিন্তু এইটো তেওঁৰ ভুল আছিল । কাৰ্তিকেয়ই তেওঁৰ প্ৰবৃত্তিবোৰৰ বিচাৰ কৰি চালে । ৰজা সত্যকীৰ্তি তেওঁৰ দায়িত্ব অনুসাৰে প্ৰজাৰ মঙ্গল বিচৰা এজন ধাৰ্মিক ব্যক্তি। সেয়েহে যদিও তেওঁ তপস্যা কৰিবলৈ কাৰ্তিকেয়ৰ আশ্ৰমলৈ আহিছিল, তথাপিও তেওঁ চম্পকবনত পোৱা বনৌষধিৰ বিষয়ে চিন্তা-চৰ্চা কৰিব ধৰিলে । নিজৰ শুশ্ৰূষা কৰিবলৈ দুজন সেৱককো লগত লৈ আহিছে, কাৰণ এইটো তেওঁৰ সৰুকালৰ পৰাই অভ্যাস । সন্ন্যাসীহোৱা, সকলো ত্যাগ কৰা, তপস্যাত নিজকে লীন কৰি দিয়া কাৰ্য্যবোৰ এটা এটাকৈ কৰা কাম নহয় । এইসকলোবোৰ একেলগে হোৱা দৰকাৰ । নহলে ই ইসম্ভৱ । কাৰ্তিকেয়ই ৰজাৰ প্ৰবৃত্তিবোৰ চিনি পাইছিল । সেয়ে ৰজাক পুনৰ ৰাজ্যলৈ উভতি গৈ শাসন কাৰ্য্যত যোগ দিবলৈ পৰামৰ্শ দিছিল । সত্যকীৰ্তিয়ে সন্ন্যাসীৰ কথাৰ অন্তৰালত থকা অৰ্থ বুজি পাইছিল । সেয়ে একো নোকোৱাকৈ নিজ ৰাজধানীলৈ পুনৰ উলতি আহিছিল । কথা ইমানেই । যদি এই ক্ষেত্ৰত তুমি সন্ন্যাসী কাৰ্তিকেয়ৰ অহংকাৰ ভাৱ দেখা আৰু ৰজা সত্যকীৰ্তিৰ অজ্ঞানতা দেখা তেন্তে মই কম এয়া তোমাৰ ভুল, তোমাৰ অজ্ঞানতা।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

(সুভদ্ৰাদেৱীৰ ৰচনাৰ আধাৰত)



ভৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

বেচিভাগ ল'ৰা ছোৱালীৰে এই এপ্ৰিল মাহত পৰীক্ষা শেষ হব । পৰীক্ষাৰ পিছতে তেওঁলোকৰ মনবোৰ মুকলি মুকলি লাগিব, যদিও বহুতে স্কুল বন্ধ হোৱালৈ অপেক্ষা কৰিব লাগিব । সেয়েহে এই মাহত কোনো বিশেষ বিষয়ৰ প্ৰশ্ন নুসুধি সানমিহলি প্ৰশ্ন সোধ হৈছে।

১. অলিম্পিক খেলত মিলখা সিঙে ৪০০ মিটাৰ দৌৰত এক বিশ্বৰেকৰ্ড কৰিছিল । এই খেলা কোন চনত ক'ত অনুষ্ঠিত হৈছিল ?

২. ১৯০০ চনত ইডা স্কাড্ডাৰে দক্ষিণ ভাৰতৰ এখন চহৰত একোঠালীৰ এখন ক্লিনিক আৰম্ভ কৰিছিল । সেইখন এতিয়া এখন বিশ্ববিখ্যাত প্ৰতিষ্ঠান । প্ৰতিষ্ঠানখনৰ নাম কি ?

৩. ভৰতত জন্ম লাভ কৰা সাহিত্যিক ভি.এচ. নৈপলে যোৱা বছৰ সাহিত্যত নবেল বঁটা লাভ কৰিছে । ১৯৭১ চনত তেখেতে বুকাৰ বঁটা লাভ কৰিছিল । কোনখন কিতাপৰ কাৰণে তেখেতে সেই বঁটা লাভ কৰিছিল ?

৪. ১৯৩২ চনত ভাৰতীয় উপমহাদেশত প্ৰথম বাণিজ্যিক উৰাণ আৰম্ভ হৈছিল, যেতিয়া জে. আৰ. ডি. টাটাই বোম্বাইলৈ উৰাজাহাজেৰে উৰি আহিছিল । কোন ঠাইৰ পৰা সেই উৰাণ আৰম্ভ কৰিছিল ?

৫. নাচিককে ধৰি ভাৰতৰ চাৰিখন ঠাইত এটা নদীৰ পাৰত মহা কুম্ভ মেলা পতা হয় । নদীটোৰ নাম কোৱা ?

৬. ১৯৭৭ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ অভিবেশনত কোনে প্ৰথমতে হিন্দীতে ভাষণ দিছিল ।

৭. ভাৰতৰ জাতীয় পশু ৰয়েল বেঙ্গল টাইগাৰ । আগতে অন্য এটা পশুৱে এই মৰ্যাদা লাভ কৰিছিল । কোনবিধ পশুৱে এই মৰ্যাদা লাভ কৰিছিল ?

৮. ১৯৮২ চনত ভাৰতে আন্তাৰ্কটিকাত প্ৰথম ভেটি স্থাপন কৰিছিল । সেই ভেটিৰ নাম কি ?

৯. ৰোনাল্ড ৰচ-এ যেতিয়া মেলেৰিয়া বেমাৰৰ বেক্টেৰিয়া চিনাক্ত কৰি উলিয়াইছিল সেই সময়ত তেওঁ ভাৰতৰ এখন চিকিৎসালয়ত কাম কৰি আছিল । চিকিৎসালয়খনৰ নাম কি ?

১০. ২০০ বছৰৰ ভিতৰত ১৯৯১ চনত ভাৰতত প্ৰথমবাৰৰ বাবে এটা আগ্নেয়গিৰি উদ্গিৰণ হৈছিল । কোন ঠাইত ?

(উত্তৰ অহা সংখ্যাত)

মাৰ্চ মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. মুনি ।
২. পাৰ্বতী, গিৰিজা ।
৩. গৌতম মুনিৰ পত্নী অহল্যা, ৰাম ।
৪. ঐৰাৱত ।
৫. উগ্ৰসেন ।
৬. কৰ্কটক ।
৭. হস্তিনাপুৰৰ ৰজা ধৃতৰাষ্ট্ৰৰ পত্নী গান্ধাৰী
৮. দন্ডকাৰণ্য ।

ভাৰত কথা

এক মহান সভ্যতাত এভুমুকি
যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

২৫. শিকোৱাৰ এক নতুন উপায়



"ককা, আপুনি তেনেহলে কব বিচাৰে "বৃহৎ কথা"ই হ'ল বিশ্বৰ প্ৰথম গল্প সংকলন ?" চামেলীয়ে অধ্যাপক দেৱনাথক এই কথাটো সুধিছিল।

"হয় মাজনী," অধ্যাপকে নিশ্চিতকৈ কৈছিল। চামেলীয়ে আলোচনী এখনৰ পাত লুটিয়াই তাৰে এটা প্ৰবন্ধৰ প্ৰতি অধ্যাপকৰ দৃষ্টি আকৰ্ষণ কৰিছিল । এইটো আছিল অন্য এক পুৰণি গল্প পুথি 'পঞ্চতন্ত্ৰ'ৰ বিষয়ে। প্ৰবন্ধটোতৰ লিখকে পঞ্চতন্ত্ৰকে ভাৰতত ৰচিত প্ৰথম গল্প পুথিৰ সংগ্ৰহ বুলি উল্লেখ কৰিছে।

"বৃহৎ কথা" যদি বিশ্বৰ প্ৰথম গল্প সংগ্ৰহ, তেনেহলে এইখন ভাৰতৰো প্ৰথম গল্প সংগ্ৰহ হব লাগিব। 'পঞ্চতন্ত্ৰ'খন যদি ভাৰতৰ প্ৰথম গল্প সংগ্ৰহ তেতিয়াহলে এইখন নিশ্চয় 'বৃহৎ কথাতকৈ পুৰণি হব। তাৰ মানে 'পঞ্চতন্ত্ৰ'খনেই বিশ্বৰ প্ৰথম গল্প সংগ্ৰহ।" চামেলীয়ে মন্তব্য কৰি কৈছিল।

"চামেলী, এই প্ৰবন্ধৰ লিখকৰ মতামত আংশিকভাবে সত্য আৰু আংশিকভাবে ভুলা গুণধ্যৰ 'বৃহৎ কথা' পুথিখন পঞ্চতন্ত্ৰতকৈ বেচি পুৰণি বুলি বিবেচনা কৰিলেও এইখন এতিয়া মানুহৰ বাবে এক হেৰোৱা সম্পত্তি । এতিয়া আমি যি কথাসৰিৎসাগৰ গল্প পুথিখন পঢ়ো এইখন তাৰে এটা অংশ । এইখন সোমদেৱ

বিশ্বাবসু



১১ শ শতিকাত ৰচনা কৰিছিল, আনহাতে পঞ্চতন্ত্ৰ পুথিখন ৰচনা কৰা হৈছিল তৃতীয় শতিকাত।" এইখিনি কৈ অধ্যাপক দেৱনাথ অলপ ৰল।

"ককা, আপুনি আগতে চাহ কাপ খাওক। তাৰপাছত আকৌ আৰম্ভ কৰিব।" সন্দীপে একাপ চাহ আনি দি ককাকক কৈছিল।

"তেনেহলে আকৌ শুনা, খৰখেদা কৰিবলৈ একো নাই।" অধ্যাপক দেৱনাথে কৈছিল। "মই এই কথাটো আগতেও কৈ আহিছো আৰু এতিয়াও কওঁ, 'কথাসৰিৎসাগৰ' আৰু 'পঞ্চতন্ত্ৰ,' এই পুথি দুখনক লৈ বিবাদ কৰিব লগা একো নাই। দুয়োখনেই প্ৰথম। 'কথাসৰিৎসাগৰ' পুথিখন হ'ল প্ৰথম সাধুকথা সংগ্ৰহ আৰু 'পঞ্চতন্ত্ৰ' খন হ'ল প্ৰথম নীতিকথামূলক আখ্যান পুথি," অধ্যাপকে কৈছিল। "দৰাচলতে এই বিষয়ত মহান হ'ল বিষ্ণু শৰ্মা। তেওঁ ইয়াক এক প্ৰত্যাহ্বান হিচাবে লৈ তাক সুন্দৰভাৱে সমাধান কৰিছিল!"

"ককা, আপুনি ইয়াক প্ৰত্যাহবান বুলি কব বিচাৰে নেকি? আপুনি আমাক 'বৃহৎ কথা' পুথিখনৰ আঁৰৰ কাহিনী কৈছিল, সেইদৰে 'পঞ্চতন্ত্ৰ' খনৰ আঁৰতো কিবা কাহিনী আছে নেকি?" সন্দীপে ককাক দেৱনাথক কথা খিনি সুধিছিল।

"হয়, ইয়াৰ মাজতো কাহিনী আছে।" এইবুলি কৈ অধ্যাপকে পুথিখনৰ পূৰ্বকথা আৰম্ভ কৰিছিল।

মহিলাৰূপ্য নামৰ এখন ৰাজ্যত অমৰশক্তি নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। সেই ৰজাৰ তিনিজন পুত্ৰ আছিল। পুত্ৰসকলৰ স্বভাৱ চৰিত্ৰ ভালেই আছিল। কিন্তু তেওঁলোকে বিদ্যা শিক্ষাৰ প্ৰতি কোনো মনোযোগ নিদিছিল। পঢ়াৰ নাম শুনিলেই তেওঁলোকে মাটিতে সাত কিল মাৰে। ৰজাই অশেষ চেষ্টা কৰিও পুত্ৰসকলৰ মনত বিদ্যা শিক্ষাৰ প্ৰতি আগ্ৰহ আনিব পৰা নাছিল। সেয়ে ৰজাৰ মনত দুখ।

কোনোবা এজন পুত্ৰকতো ৰজাই তেওঁৰ উত্তৰাধিকাৰী কৰিব লাগিব। কিন্তু যাৰ কোনো শিক্ষা নাই, যিয়ে বিদ্যা শিক্ষা লাভ কৰিবলৈ অস্বীকাৰ কৰে তেওঁনো বাৰু কেনেকৈ ৰাজ্যভাৰ অৰ্পণ কৰে? এই বিষয় লৈ ৰজা চিন্তিত হৈ পৰিছিল। এদিন ৰজাই ৰাজ্যৰ পণ্ডিত তথা চিন্তাবিদ সকলক মাতি আনি বিতং ভাৱে নিজৰ সমস্যাৰ কথা তেওঁলোকৰ আগত বৰ্ণনা কৰি কৈ তেওঁলোকক সুধিছিল, "এতিয়া আপোনালোকেই কওঁকচোন মই মোৰ পুত্ৰসকলক কেনেকৈ শিক্ষিত কৰি তুলিম?"

পণ্ডিতসকলে ৰজাক বিভিন্ন ধৰণৰ উপদেশ দিছিল, কিন্তু কোনো এজনেও হাতে কামে কৰি দেখুৱাবলৈ আগবাঢ়ি অহা নাছিল। গতিকে

ৰজাই পুত্ৰসকলক শিক্ষিত কৰি তোলাৰ আশা প্ৰায় এৰিকে দিছিল । এনেতে এজনে বিষ্ণু শৰ্মা নামৰ বিদ্যান লোক এজনৰ পৰামৰ্শ লবলৈ উপদেশ দিছিল, যিয়ে সাধাৰণতে কঠিন সমস্যাবোৰ সমাধান কৰে ।

ৰজাৰ নিমন্ত্ৰন পাই এদিন বিষ্ণু শৰ্মা গৈ ৰাজপ্ৰাসাদত উপস্থিত হৈছিল । বিষ্ণু শৰ্মাৰ জ্ঞান বুদ্ধি দেখি ৰজা বাৰুকৈয়ে তেওঁৰ প্ৰতি আকৃষ্ট হৈছিল । অৱশেষত যেতিয়া তেওঁ তিনিওজন ৰাজকুমাৰকে বিদ্যা শিক্ষা দিয়াৰ ভাৰ নিজে মূৰ পাতি লৈছিল তেতিয়া ৰজাই তেওঁক প্ৰচুৰ ধন সম্পদ দিব খুজিছিল । কিন্তু বিষ্ণু শৰ্মাই সেইবোৰ লবলৈ অস্বীকাৰ কৰি কৈছিল, "মই মোৰ শিক্ষা বিক্ৰী নকৰো । তাৰোপৰি মই এজন বৃদ্ধ মানুহ, মইনো ধন সম্পদেৰে কি কৰিম ।"



বিষ্ণু শৰ্মাই ৰাজকুমাৰ সকলৰ লগত বন্ধুত্ব গঢ়ি তুলিছিল আৰু তেওঁলোকক এক নিৰিবিলি ঠাইলৈ লৈ গৈছিল । সেই ঠাইখিন সম্ভৱত প্ৰাসাদৰ ওপৰতে বট গছৰ ছাঁ পৰি থকা ঠাই আছিল । তাৰ পাছত তেওঁ আৰম্ভ কৰিছিল; "গোদাবৰী নদীৰ পাৰত এডাল বৃহৎ শালমলি গছ আছিল । বিভিন্ন দিশৰ পৰা নানা ধৰণৰ চৰাই আহি সেই গছডালত আশ্ৰয় লৈছিল ।"

এইদৰে তেওঁ বিভিন্ন ধৰণৰ গল্প, যেনে-- ভাল আৰু বেয়া, বিশ্বাস আৰু বিশ্বাসঘাতকতা, বুদ্ধি আৰু নিৰ্বোধতা, ভাগ্য আৰু ভাগাহীনতা, দোষ আৰু দোষৰ শাস্তি, ধূৰ্ত্ত আৰু নম্ৰতা আদিৰ বিষয়ে কৈছিল । এটা গল্পৰ আলম লৈ আৰু বহুতো গল্পৰ সৃষ্টি হৈছিল । এইটো হ'ল ভাৰতীয় গল্প কোৱাৰ এক প্ৰাচীন শৈলী, যিটো পিছলৈ আৰব্য কাহিনীবোৰতো অনুকৰণ কৰা হৈছিল।

ইতিমধ্যে পণ্ডিত বিষ্ণু শৰ্মাই তেওঁৰ কাহিনীবোৰ কোৱা শেষ কৰিছিল । ৰাজকুমাৰ সকলেও তেওঁলোকক যে কিবা শিকোৱা হৈছে এইটো অনুভৱ নকৰাকৈয়ে বহু কথা শিকি লৈছিল। ৰাজকুমাৰ সকলে মুগ্ধ হৈ গল্পবোৰ শুনি আছিল, আৰু জ্ঞানী পণ্ডিতগৰাকীয়ে তাৰ মাজেৰে তেওঁলোকক ৰাজনীতি, কূটনীতি, মনোবিজ্ঞান আৰু সমাজবিজ্ঞানৰ শিক্ষা দিছিল, যিবোৰ বিষয় ৰাজকুমাৰ সকলে জনা অতি আৱশ্যক ।

পঞ্চতন্ত্ৰ মানে হ'ল পাঁচ প্ৰকাৰৰ জ্ঞান ।

অধ্যাপক দেৱনাথে কথাখিনি কৈ অলপ ৰওতে চামেলীয়ে লাহেকৈ কৈছিল, "ককা, আপুনি বাৰু সেই বিখ্যাত কিতাপখনৰ অন্ততঃ এটা গল্পও আমাৰ আগত নকবনে ?"

"বাচাহঁত, মই কবপাৰো তোমালোকে পঞ্চতন্ত্ৰৰ বহুতো গল্পই জানা । উদাহৰণ স্বৰূপে বান্দাৰটোৱে যে তাৰ শুই থকা গৰাকীজনৰ গাত পৰা মাখি এটা মাৰিবলৈ গৈ গৰাকীজনকে

মাৰি পেলাইছিল, সেইটো নাজানা নে ? দুটা ৰাজহাঁহে কঢ়িয়াই নিয়া লাঠি এডালত কাছ এটাই যে কামোৰ মাৰি ধৰি উৰি গৈ আছিল আৰু অবাবতে মুখ খন মেলা বাবে তাৰ পৰা পৰি মৃত্যু হৈছিল, সেইটো গল্পও মনত পৰা নাই নে? আৰু মোৰ বিশ্বাস তোমালোকে এইটো গল্পও জানা, তিনিজন বন্ধুয়ে যে এটা সিংহক জীয়াই তোলাৰ গোপন ৰহস্য জানিছিল আৰু সিংহটোয়ে জীৱন লাভ কৰাৰ পিছত তেওঁলোকে কেনেকৈ নিজকে ৰক্ষা কৰিব এই বিষয়ে নজনাকৈয়ে সিংহটো জীয়াই দিছিল !"

"আমি অৱশ্যে সেই গল্পবোৰ জানো । সেই সকলোবোৰ পঞ্চতন্ত্ৰৰে কাহিনী নেকি ? সন্দীপে ককাকক সুধিছিল ।

"হয়, সেই সকলোবোৰেই পঞ্চতন্ত্ৰৰ গল্প! মই আজি তোমালোকক এটা অতি চুটি কাহিনী কম, যিটোৰ প্ৰাসঙ্গিকতা আজিৰ মানুহৰ মাজতো আছে । তোমালোকে নিশ্চয় দুটা মূৰ থকা সাপ অথবা দুটা মূৰ থকা সন্তান জন্ম হোৱাৰ কথা শুনিছা, নহয়নে ? পঞ্চতন্ত্ৰতো তেনে কাহিনী আছে । এসময়ত এটা দুটা মূৰ থকা চৰাই আছিল। চৰাইটোৰ মূৰ দুটা এনেভাবে আছিল যে সেই চৰাইটোৱে বিপৰীত ফালে চাব পাৰিছিল । এদিনাখন চৰাইটোৰ এটা মূৰে অমৃত দেখিবলৈ পাইছিল, তেতিয়া দ্বিতীয় মূৰটোৱেও সেই অমৃতৰ ভাগ লব বিচাৰিছিল । কিন্তু প্ৰথম মূৰটোৱে ভাগ দিবলৈ অস্বীকাৰ কৰিলে । তাৰ অলপ পিছতে দ্বিতীয় মূৰটোৱে কিছুমান বিষ দেখিবলৈ পাই সেই খিনি খাই পেলালে । দুয়োটা মূৰ যিহেতু এটা চৰাইৰে, গতিকে চৰাইটো মৰি থাকিল ।" ইয়াকে কৈ অধ্যাপক দেৱনাথে ল'ৰা-ছোৱালীহঁতৰ ফালে এক অৰ্থপূৰ্ণ দৃষ্টিৰে চালে ।

"আমি বুজিব পাৰিছো । এই মানৱ জাতি একেখন পৃথিবীতে বাস কৰে । আজি এনে পৰিস্থিতিৰ উদ্ভব হৈছে, যদি বিবেকহীন কোনো এখন দেশে কোনো বিপদজনক কাম কৰি পেলায়, তেতিয়া গোটেই পৃথিবীখনেই বিপদগ্ৰস্ত হব ।" সন্দীপে কৈছিল ।

অধ্যাপক দেৱনাথে এটা সন্তোষৰ হাঁহি মাৰিছিল ।

এপ্ৰিলৰ নৱবৰ্ষ

বহুতো ভাৰতীয় সম্প্ৰদায়ৰ কাৰণে গ্ৰেগেৰিয়ান কেলেন্ডাৰৰ এপ্ৰিল মাহটো এক বিশেষ ধৰণৰ মাহ । এই সময়ত আমাৰ দেশৰ বহুতো ঠাইত নৱ বৰ্ষ পালন কৰা হয় । কিছুমান ঠাইত ইয়াক শস্য চপোৱাৰ উৎসৱ ৰূপেও পালন কৰা হয় ।

বৈশাখী

পঞ্জাৱীসকলে এপ্ৰিল মাহৰ ১৩ তাৰিখে (কেতিয়াবাহে ১৪ এপ্ৰিল) বৈশাখীক বছৰৰ আৰম্ভণি উৎসৱ হিচাবে পালন কৰে । বৈশাখীক শস্য চপোৱা উৎসৱ বুলিও জনা যায়।

খেতি পথাৰবোৰ ৰবি শস্যৰে উপচি থাকে । এই সময়চোৱা হ'ল ৰবি শস্য চপোৱাৰ সময় । এইটো প্ৰাচুৰ্য্যৰ ঋতু । শস্য চপোৱাৰ পিচত গাঁৱৰ মানুহৰ মনবোৰ খুব আনন্দপূৰ্ণ হয় । এই আনন্দ প্ৰকাশ কৰাৰ আহিলা নাচ গানৰ বাহিৰে আৰুনো কি হব পাৰে ?

পঞ্জাৱীসকলৰ কাৰণে বৈশাখী এক আনন্দপূৰ্ণ উৎসৱ । এই উৎসৱত পুৰুষ মহিলা উভয়ে ভাংৰা আৰু গিড্ডা নাচ নাচে।

এই উৎসৱৰ সময়ত মানুহবোৰে উজ্বল ৰঙৰ পৰম্পৰাগত পোচাক পৰিধান কৰে । সাধাৰণতে এই উৎসৱ নদীৰ পাৰত পালন কৰা হয় । মানুহবোৰে নতুনকৈ গুড়ি কৰি অনা আটাৰে ৰুটি তৈয়াৰ কৰি ঘিউ আৰু গুড়েৰে সৈতে খায় । মুঠতে এই দিনটো খোৱা, পিয়া আৰু আনন্দ স্ফূৰ্তি কৰাৰ দিন । ৰাজহুৱা ঠাইত একুৰা ডাঙৰকৈ জুই ধৰি তাৰ চাৰিওফালে ঘূৰি ঘূৰি মানুহবোৰে নাচে ।

শিখসকলে বৈশাখীক খালচা আন্দোলনৰ আৰম্ভণিৰ প্ৰতীক বুলিও কয় । এই দিনটোতে ১৬৯৯ চনত দশম শিখ গুৰু, গুৰু গোবিন্দ সিঙে খালচা আন্দোলন বা শিখ ভ্ৰাতৃত্ব প্ৰবৰ্তন কৰিছিল ।

গুড়ি পড়ৱা

গুড়ি পড়ৱা হ'ল মহাৰাষ্ট্ৰাৰ এক নৱবৰ্ষ উৎসৱ । এই উৎসৱ চ'ত মাহৰ প্ৰথম দিনা পালন কৰা হয় । ইয়াক শস্য চপোৱা উৎসৱ বুলিও কোৱা হয় । এই দিনটোতে তাৰ মানুহবোৰে নতুন কামৰ আৰম্ভণি কৰে ।

এই দিনটোত তাৰ মানুহবোৰে চোতালত বিজয়ৰ প্ৰতীক স্বৰূপে গুড়ি প্ৰদৰ্শন কৰি দেখুৱায় । গুড়ি হ'ল এটা কলহ বা পাত্ৰ যিটো এডাল খুটাৰ ওপৰত ওলোটা কৰি থয় । কলহটো চিক্কৰ কাপোৰেৰে ভালদৰে মেৰিয়াই তাৰ ওপৰত গেন্ধাই ফুল আৰু আম পাত সজায় দিয়ে । ইয়াক প্ৰকৃতিৰ দান স্বৰূপেও পালন কৰা হয় । সূৰ্য্যোদয়ৰ লগে লগে গুড়ি স্থাপন কৰা হয় আৰু সূৰ্য্যাস্তলৈকে ইয়াক ৰখা হয় ।

সেইদিনা মানুহবোৰে নতুন কাপোৰ পিন্ধে আৰু ভোজৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে । নিজৰ নিজৰ পদূলিবোৰ মানুহে নানা ৰঙৰ ৰঙ্গোলিৰে সজায় । সেইদিনা ৰাতিপুৱা তাৰ মানুহবোৰে নীম পাত, আজোঁৱাই, তেঁতেলী আৰু গুড় মিহলাই এক ধৰণৰ পেষ্ট তৈয়াৰ কৰি খায় । তাৰ মানুহবোৰে বিশ্বাস কৰে যে এই খালে শৰীৰৰ তেজ পৰিষ্কাৰ হয় ।

মহাৰাষ্ট্ৰৰ মানুহবোৰে বিশ্বাস কৰে যে এই দিনটোতে ভগবান ৰামে বানৰ ৰজা বালিক পৰাস্ত কৰিছিল । কিছুমানে আকৌ কয় যে ভগবান বিষ্ণুয়ে মৎস অৱতাৰ ধৰি পৃথিৱী উদ্ধাৰ কৰিবলৈ অহা উপলক্ষ্যে এইউৎসৱ পালন কৰা হয় ।

নৱ বৰ্ষ

বহাগ মাহৰ প্ৰথম দিনা বঙালীসকলে অতি উলহ মালহেৰে নৱ বৰ্ষ উৎসৱ পালন কৰে। তেওঁলোকে ইয়াক পইলা বৈশাখ বুলিও কয় । সেইদিনা মানুহবোৰে ঘৰৰ দূৱাৰ মুখত ধুনীয়া আলপনা আঁকে । ব্যৱসায়ীসকলে সেইদিনা এটা মাটিৰ কলহত আমপাত বান্ধি তাৰ ওপৰত এটা নাৰিকল ৰাখে । নৱবৰ্ষ উপলক্ষ্যে মানুহবোৰে নানা ধৰণৰ সুস্বাদু মিঠাই তৈয়াৰ কৰে ।

ৰঙালী বিহু

এপ্ৰিল মাহৰ মাজ ভাগত অসমীয়াসকলে ৰঙলী বিহু উৎসৱ পালন কৰে । প্ৰথম বহাগৰ পৰা অসমীয়াৰ নৱবৰ্ষ উৎসৱো পালন কৰা হয়। কৃষক সকলে ৰঙলী বিহুক শস্য ৰোৱাৰ আৰম্ভণি উৎসৱ হিচাবেও পালন কৰে । ৰঙালী বিহুক বহাগ বিহু বুলিও কোৱা হয় । অসমীয়াৰ বিহুবোৰৰ ভিতৰত এইটো আতাইতকৈ আনন্দপূৰ্ণ উৎসৱ ।

প্ৰকৃতিয়ে নতুন সাজেৰে সুশোভিত হৈ উঠাৰ লগতে মানুহৰ মনো আনন্দেৰে ভৰি পৰে ।

ৰঙালী বিহুৰ সময়ত ডেকা গাভৰু সকলে পৰম্পৰাগত বিহুৰ সাজ পৰিধান কৰি বিহুগীত গাই বিহুনৃত্য প্ৰদৰ্শন কৰে । এই নৃত্য গীতৰ সৈতে ঢোল, পেঁপা, গগনা, টকা আজি বাদ্য পৰিবেশন কৰা হয় । এই বিহু সাতদিন ধৰি চলে। বহাগৰ প্ৰথম দিনা মানুহে নতুন কাপোৰ পৰিধান কৰে । সেইদিনা মহিলাসকলে ঘৰতে তৈয়াৰ কৰা গামোচা প্ৰিয়জনক উপহাৰ দিয়ে ।

বিশু

মালায়ালী নৱ বৰ্ষক বিশু নামে জনা যায়। এইটো মালয়ালম মেদাম মাহৰ প্ৰথম দিনা (এপ্ৰিল মে) আৰম্ভ হয় । বিশুকানি দৰ্শনেৰে এই উৎসৱ পালন কৰা হয় । এইটো এক পৰম্পৰাগত প্ৰথা । চাউল, নতুন কাপোৰ, সোণ, তিয়ঁহ, পান-তামোল, দাপোণ, হালধীয়া ফুল কোন্না, ধৰ্মীয় পুথি আৰু মুদ্ৰা আদি সৌভাগ্য সূচক বস্তুবোৰ উৰুলি নামৰ কাঁহৰ পাত্ৰ এটাত থৈ দিয়া হয়। এইবোৰকে কোৱা হয় কাণি । এই কাণি, পৰিয়ালৰ আতাইতকৈ বয়সস্থ মানুহজনে বিশুৰ আগদিনা ৰাতি সজায় ৰাখে । জনবিশ্বাস মতে যিজনে বিশুৰ দিনা ৰাতিপুৱা উঠিয়ে এই বস্তুবোৰ দেখে তেওঁৰ বাবে

গোটেই বছৰটো সৌভাগ্যশালী হয়।

বিশু উপলক্ষ্যে মানুহে নতুন কাপোৰ পিন্ধে। সেইদিনা পৰিয়ালৰ জেষ্ঠ সদস্য সকলে, যিসকলে তেওঁলোকৰ ওচৰলৈ আশীৰ্বাদ বিচাৰি আহে তেওঁলোকক টকা আৰু মিঠাই বিতৰণ কৰে। ইয়াক বিশুকৈনীতম বুলি জনা যায়। এই প্ৰথাটো কণিষ্ঠ্যসকলে ভাল পায়। কাৰণ তেওঁলোকে এইদৰে জেষ্ঠ্য সকলৰ পৰা টকা আৰু মিঠাই সংগ্ৰহ কৰিব পাৰে। এইদৰে সংগ্ৰহ কৰা টকা তেওঁলোকে বিশুৱেলা মেলাত খৰছ কৰে। সেইদিনা খোৱা আৰু স্ফুৰ্তি কৰাৰ দিনা।

পুথান্ডু

তামিল নৱবৰ্ষ এপ্ৰিল মাহৰ ১৪ তাৰিখে পালন কৰা হয়। ইয়াক বৰ্ষাপিৰাপু বা নৱবৰ্ষৰ আৰম্ভণি বুলি কোৱা হয়। বৰ্ষা মানে বছৰ আৰু পিৰাপু মানে হ'ল আৰম্ভণি।

সৌভাগ্যশালী বস্তু বা কান্নি দৰ্শন কৰি মানুহবোৰে সেইদিনাৰ দিনটো আৰম্ভ কৰে। এই সৌভাগ্যশালী বস্তুবোৰৰ ভিতৰত আছে --সোণ, ৰূপ, ফল, শাক-পাচলি, পান তামোল, ফুল, চাউল আৰু নাৰিকল।

সেইদিনা ৰাতিপুৱা এই বস্তবোৰ দেখিলে গোটেই বছৰটোৱে সৌভাগ্যপূৰ্ণ হয় বুলি মানুহে বিশ্বাস কৰে ।

সেইদিনা মানুহে মন্দিৰলৈ যায় আৰু পঞ্জিকা পঢ়ে । সেইদিনা দুপৰীয়াৰ আহাৰৰ বিশেষ আকৰ্ষণ হ'ল 'মাঙ্গাই পাছাদি' । ইয়াত থাকে কেঁচা আম, নীম ফুল আৰু গুড় । মিঠা, তিতা আৰু টেঙা বস্তৰ সোৱাদ একেলগে পোৱা যায় ।

এই সময়ত মানুহে ঘৰৰ দুৱাৰ মুখত চাউলৰ গুড়িৰে 'কোলাম' আঁকে আৰু আমৰ পাতৰ মালা আৰি দিয়ে ।

উগাদি

অন্ধ্ৰ প্ৰদেশ আৰু কৰ্ণাটকত নতুন বছৰৰ দিনটোক উগাদি বুলি কোৱা হয় । চৈত্ৰ সুধা পঞ্চমীৰ দিনাখনৰ পৰা তেলেগু নৱবৰ্ষ আৰম্ভ হয় । ইয়াক বসন্ত কালৰ আৰম্ভণি বুলিও কোৱা হয় । এই সময়ত মুকলি পথাৰবোৰত শস্য গজি উঠে ।

উগাদি শব্দটো যুগ (যুগ) আৰু আদি (আৰম্ভণি) শব্দৰ পৰা উৎপত্তি হৈছে । হিন্দু পৌৰাণিক কাহিনী আৰু জনবিশ্বাস মতে সেই দিনাৰ পৰা সৃষ্টিকৰ্ত্তা ব্ৰহ্মাই সৃষ্টিৰ আৰম্ভ কৰিছিল । সেয়েহে সেই দিনটোক বছৰৰ প্ৰথম দিন বুলি কোৱা হয় । মানুহে সেই দিনটোক মঙ্গলসূচক দিন হিচাবে বিবেচনা কৰে আৰু কোনো নতুন কাম আৰম্ভ কৰিলে সেইদিনাখনে কৰে ।

উগাদি উপলক্ষ্যে মানুহে ঘৰৰ দুৱাৰ মুখত আমৰ পাতৰ মালা আৰি দিয়ে । সেইদিনা মানুহে নতুন কাপোৰ পিন্ধি মন্দিৰলৈ যায় আৰু সন্ধিয়া পঞ্জিকা পাঠ কৰে । মানুহবোৰে তেঁতেলী, জলকীয়া, লোণ, নীম ফুল, গুড় আৰু কেঁচা আমেৰে উগাদি পাছাদি তৈয়াৰ কৰি খায় ।

ৰসিক ব্যক্তি - বীৰবল

প্ৰজাসকলৰ মঙ্গলৰ কাৰণে সংস্কাৰমূলক কাম কৰাত সম্ৰাট আকবৰ অতি বিখ্যাত আছিল। এটা সন্দেহে তেওঁৰ মনত বাহ লৈছিল । কিমানবোৰ মানুহনো বাৰু সঁচাকৈয়ে সৎ ? এদিন সন্ধিয়া তেওঁ যেতিয়া তেওঁৰ প্ৰিয় সভাসদজনৰ লগত অকলে বহি আছিল সভাসদজনক সম্ৰাটে এই প্ৰশ্নটো সুধিছিল ।

"সেইটো সহজতে বিচাৰি উলিয়াব পৰা যাব চাহেনশাহ ।" বীৰবলে তেওঁৰ মনতে এটা বুদ্ধিসাজি কৈছিল । প্ৰথমতে আপুনি দুখীয়া মানুহবোৰৰ বাবে এটা ভোজ পাতক আৰু ঘোষণা কৰি দিয়ক যে সকলোৱে লগত এঘটিকৈ গাখীৰ আনিব লাগিব ।"

"কিন্তু, তেতিয়া তুমি কেনেকৈ জানিব পাৰিবা কোনজন সৎ আৰু কোনজন সৎ নহয় ?" আকবৰে সুধিছিল । তেতিয়া বীৰবলে সম্ৰাটক কৈছিল, "চাহেনশাহ, প্ৰথমতে মই কোৱামতে কাম কৰক তাৰ পাচত আমি ইয়াৰ উত্তৰ বিচাৰি পাম ।"

সম্ৰাটে ভোজনৰ আয়োজনৰ আদেশ দি ঘোষণা কৰি দিলে যে যিসকলে ভোজলৈ আহে সকলোৱে লগত এঘটিকৈ গাখীৰ আনিব লাগিব আৰু ৰাজপ্ৰাসাদৰ দুৱাৰ মুখত থকা বৃহৎ পাত্ৰ এটাত সেইবোৰ ঢালি থব লাগিব ।

চাওঁতে চাওঁতে ভোজৰ দিনটো আহি পালে। সেইদিনা ৰাজপ্ৰাসদৰ সন্মুখত মানুহৰ দীঘল শাৰী দেখা গ'ল । সকলোৱে হাতত এঘটিকৈ গাখীৰ আনি সেই বৃহৎ পাত্ৰটোত ঢালি থৈ গৈ আছে ।



সকলোৱে যেতিয়া ঢালি থোৱা কাম শেষ হ'ল তেতিয়া বৃহৎ পাত্ৰটোৰ ঢাকনি মাৰি সেইটো আকবৰ, বীৰবল আৰু অন্যান্য সভাসদসকল বহি থকা ঠাইলৈ লৈ অহা হ'ল।

বীৰবলে সম্ৰাটৰ ফালে এবাৰ চালে, তেওঁ সম্ৰাটৰ আজ্ঞা পাই চন্দৰিজনক পাত্ৰটোৰ ঢাকনিখন খুলিবলৈ কলে । তাৰপাছত সেইটো সকলোকে দেখুৱাবলৈ কলে ।

"পানী !" সম্ৰাটে আচৰিত হৈ কলে । "হয় মহাশয়, পানীৰ নিচিনাকৈ মানুহৰ সততাও ফটফটীয়া পৰিষ্কাৰ ।"



মহিলা পুৰোহিত

উৰিষ্যাৰ এই মন্দিৰটো অলপ বেলেগ ধৰণৰ । সেইবুলি এইটো নহয় যে, ইয়াত ওখ চূড়া নাই অথবা দামী মূৰ্ত্তি নাই । ইয়াৰ

বিশেষত্ব হ'ল ইয়াত মহিলা পুৰোহিত আছে । উৰিষ্যাৰ উপকূলীয় কেন্দ্ৰপাৰা জিলাৰ সত্যভায়াত থকা ১৩০০ বছৰীয়া পুৰণি পাঁচুবৰাহি মন্দিৰত মহিলাসকলে পূজা পাঠ কৰি আহিছে । এই মন্দিৰৰ মণিকূটত পুৰুষ পুৰোহিত প্ৰৱেশ কৰিব নোৱাৰে । এই মন্দিৰৰ পূজা-পাতল স্থানীয় মাছমৰীয়া, দলেই সম্প্ৰদায়ৰ মহিলাসকলে কৰে ।

টান সূতা

কি বস্তু ওপৰলৈ উৰে আৰু তাক মাটিৰ পৰা নিয়ন্ত্ৰণ কৰে? তুমি নাজানা ? অতি সহজ ! সেয়া হ'ল চিলা । চিলা উৰুৱা লোকসকলে জানে যে তেওঁলোকৰ চিলৰ সূতাডাল সাধাৰণ সূতা নহয় । সেই সূতাডাল আইনাৰ গুড়িৰে চিকমিকিয়া কৰা হয়, যাৰ বাবে সেইডাল টান হয় আৰু তাক চিঙাটো সহজ নহয় ।

কথিত আছে ১৮০০ খৃষ্টাব্দত জয়পুৰৰ ২য় মহাৰাজ সাৱাই ৰাম সিং আৰু তেওঁৰ চিলা উৰুৱা সঙ্গীজনে প্ৰাসাদৰ বাৰান্দাৰ পৰা চিলা উৰুৱাই আছিল । তেওঁলোকে অন্য এটা চিলাৰ সৈতে প্ৰতিযোগিতা কৰিছিল । কিন্তু অপমানজনক কথা এয়ে যে, অন্য চিলাটোৱে ৰজাৰ চিলাটোক কাটি দিছিল ।

ৰজা বৰ উদ্বিগ্ন হৈ পৰিছিল। তেওঁ অনুসন্ধান কৰি জানিব পাৰিলে তেওঁৰ চিলা কটা চিলাটোৰ গৰাকী হ'ল ছৌদামণি আৰু কালুৰাম নামৰ দুই ভ্ৰাতৃ । তেওঁলোকে কুমাৰৰ কাম কৰে আৰু তেওঁলোকে আইনাৰ ধূলিৰে চিলাৰ সূতা টান কৰা পদ্ধতিটো উদ্ভৱ কৰিছিল । গতিকে তোমালোকেও যাতে অহাবাৰ সেই টান সূতাৰে আনৰ চিলা কাটিব পাৰা তাৰ বাবে ছৌদামণি আৰু কালুক ধন্যবাদ জনোৱা ।

শিল্পী পূৰ্বপুৰুষ

সৰু সৰু ল'ৰা ছোৱালী-বোৰে দেৱালত অঁকা তুমি বাৰু দেখা নাইনে ? ইয়াৰ পিছত তুমি আৰু সিহঁতক নবকিবা । কাৰণ, তেওঁ-লোকৰ পুৰণি পূৰ্বপুৰুষে যি কৰিছে তেওঁলোকেও তাকেহে মাথোঁ কৰিছে । তুমি জানি আচৰিত হবা যে আমাৰ পূৰ্বপুৰুষসকলে কাকতত ছবি অঁকা নাছিল, গুহাৰ দেৱালতহে আঁকিছিল!

মধ্য প্ৰদেশৰ ভূপালৰ ওচৰত থকা বিন্ধা পৰ্বতমালাৰ ভীমবেতকাত থকা কিছুমান গুহাৰ শিলত বিস্তৃতভাবে অঁকা ছবি দেখা যায় । বুৰঞ্জীবিদসকলে সেই ছবিবোৰ ১০,০০০ বছৰতকৈও বেচি পুৰণি বুলি কব বিচাৰে ।

সেই ছবিবোৰত সেই সময়ৰ দৈনন্দিন জীৱনৰ দৃশ্য, যেনে--চিকাৰ কৰা, মৌ সংগ্ৰহ কৰা, মুখাপিন্ধা নৃত্য, পশু যুঁজ, ঘোঁৰাত উঠা আৰু অস্ত্ৰ-শস্ত্ৰ দেখা যায় । ছবিবোৰত বন গাহৰি, হৰিণা পহু, সিংহ, বাঘ আৰু কুকুৰৰ নিচিনা জন্তুৰ ছবিও আছে । সেইবোৰৰ প্ৰায়-ভাগেই ৰঙা আৰু বগা ৰঙেৰে অঁকা, মাজে মাজে দুই এডাল সেউজীয়া আৰু হালধীয়া আকো আছে ।

পানীত খেলা মল্লযুদ্ধ

১২ শ শতিকাত ভাৰতৰ কিছুমান অঞ্চলত মাল-স্তম্ভ নামেৰে এক বিশেষ খেল আছিল । এইও এক ধৰণৰ মল্লযুদ্ধই, য'ত দুজন প্ৰতিযোগীয়ে 'সহকাৰীৰ কান্ধত বহি যুদ্ধ কৰে । সহকাৰী দুজনে যাতে বেচি কষ্ট নাপায় তাৰ বাবে তেওঁলোকে কঁকালৰ সমান

গভীৰ পানীত খেলাৰ সময় চোৱাত থিয় হৈ থাকে । এতিয়া তোমালোকে ভাবাচোন : তেওঁলোক গভীৰ পানীত থাককে বা নাথাকক যদি সেই মল্লবীৰ দুজন 'চুমো'ৰ নিচিনা হয়, যাৰ ওজন ১৩০ কেজি, তেতিয়া তেওঁলোকৰ অৱস্থা কি হব ?

কৰ্ণাটকৰ লোককথা

জেচমিন ৰাজকুমাৰী

কৰ্ণাটক ৰাজ্যখনে দাক্ষিণাত্যৰ ১৯২,০০০ বৰ্গ কিলোমিটাৰ ঠাই আগুৰি আছে । এই ৰাজ্যখনৰ পূবে অন্ধ্ৰপ্ৰদেশ, উত্তৰে মহাৰাষ্ট্ৰ, দক্ষিণে তামিলনাডু আৰু কেৰেলা আৰু পশ্চিমে আৰব সাগৰ । এইখন ভাৰতৰ ১৬ তম ৰাজ্য আৰু ইয়াৰ জনসংখ্যা প্ৰায় ৫২ নিযুত । ইয়াৰ অধিবাসীসকলক কান্নাড়িগাচ বোলে আৰু তেওঁলোকে কানাড়া ভাষাত কথা কয় । কিছুমান পণ্ডিতে কব খোজে যে এই ৰাজ্যৰ নামটো 'কাৰি-নাডু' শব্দৰ পৰা আহিছে যাৰ অৰ্থ হ'ল ক'লা মাটিৰ দেশ । অন্য কিছুমানে আকৌ কব খোজে যে এই নামটোৰ অৰ্থ হ'ল 'কাৰুনাডু' অথবা ধুনীয়া দেশ ।

কৰ্ণাটক ৰাজ্যৰ ৰাজধানীৰ নাম বাঙ্গালোৰ, যিখন নগৰক ভাৰতৰ সকলোলোকে চাইল্ড চিটি বুলি কয় । ইয়াক ইলেকট্ৰনিক চিটি বুলিও কোৱা হয়, কাৰণ ভাৰতৰ ডাঙৰ ডাঙৰ ইলেকট্ৰনিক উদ্যোগবোৰ ইয়াতে গঢ়ি উঠিছে । এইখন এচিয়াৰ ভিতৰতে দ্ৰুতগতিত বাঢ়ি অহা চহৰ ।

পশ্চিমঘাট পৰ্বতৰ পৰা বৈ অহা কাবেৰী নদীয়ে হাবি-বননি, খেতিপথাৰ আদিৰ মাজেৰে বৈ গৈছে । সেই ঠাইবোৰত ধুনীয়া ধুনীয়া জেচমিন, গোলাপ আৰু অন্যান্য ফুলৰ গছ গজি উঠিছে । বহুদিন আগতে সেই ঠাইত এজন ৰজাই ৰাজত্ব কৰিছিল । সেই ৰাজ্যত বহুতো সাপ আছিল আৰু সেই সাপবোৰৰ পৰা



মানুহে খুব অসুবিধা পাইছিল । এই কথা লৈ ৰজাই বৰ বিমোৰত পৰিছিল আৰু কেনেকৈ এই সমস্যা সমাধান কৰা যায় তাক ভাবি পোৱা নাছিল । সেই ৰজাৰ এজন ধুনীয়া পুত্ৰ আছিল আৰু সকলো কামতে পাৰ্গত আছিল। ৰাজপুত্ৰই এই সমস্যা সমাধান কৰাৰ উদ্দেশ্যে হাবিলৈ গৈ য'তে যিমান সাপ দেখিছিল সকলোবোৰ মাৰি পেলাইছিল ।

এদিনাখন ৰাজকুমাৰে সাপ চিকাৰ কৰি ভাগৰ লগতে এডাল ডাঙৰ গছৰ তলত গৈ শুই পৰিছিল । সেই সময়তে সাতখন ফনা থকা এডাল সাপ গছৰ পৰা নামি আহি ৰাজকুমাৰৰ ফালে আগবাঢ়ি গৈছিল । তেতিয়া ৰাজকুমাৰক পৰ দি থকা অনুচৰজনে তৰোৱাল উলিয়াই সাপটোক টুকুৰা-টুকুৰ কৰিবলৈ উদ্যত হৈছিল । ঠিক সেই সময়তে ৰাজকুমাৰে সাৰ পাই সাপটোৰ হালধীয়া চকুদুটাৰ ফালে চাইছিল। ৰাজকুমাৰে অনুচৰজনক কৈছিল, "ৰবা, সাপটোক নামাৰিবা । তাৰ চকুদুটাত বিষাদৰ চিন ফুটি উঠিছে, সি নিশ্চয় কিবা কব বিচাৰিছে ।"

তাৰ পাছত ৰাজকুমাৰে সাপটোৰ ফালে ঘূৰি মৰমেৰে সুধিছিল, "হে মহান সৰ্প, মই তোমাৰ বাবে কি কৰিব পাৰো ?"

সাপটোৱে যেতিয়া মানুহৰ নিচিনাকৈ কথা কৈছিল ৰাজকুমাৰ কিন্তু আচৰিত হোৱা নাছিল।

"হে ৰাজকুমাৰ, যোৱা সাতবছৰ ধৰি মই এক ডাঙৰ মূৰৰ বিষত পৰি আছিলো । একোতে মই ভাল পোৱা নাছিলো । মোৰ মূৰৰ বিষ ইমানেই মাৰাত্মক আছিল যে, সেই সময়ত মই মোৰ সাপবোৰক নিয়ন্ত্ৰনত ৰাখিব পৰা নাছিলো। ময়েই এই সাপবোৰৰ ৰজা । এই বিষয়ত আপুনি মোক সহায় কৰিব, নহয় নে বাৰু ?" "মই কি কৰিব লাগে কোৱা ।" ৰাজকুমাৰে সাপটোক সুধিছিল ।

"আপোনাৰ ৰাজ্যৰ সাত যোজন (এক যোজন - প্ৰায় ৮/৯ মাইল) দক্ষিণে আৰু এখন ৰাজ্য আছে । সেই ৰাজ্যৰ ৰজাৰ এজনী মৰম লগা আলফুলীয়া ছোৱালী আছে যাৰ ওজন মাত্ৰ সাতটা জেচমিন ফুলৰ সমান হব । জেচমিন ৰাজকুমাৰীয়ে কেতিয়াও হঁহা নাই । ৰাজকুমাৰীয়ে যেতিয়া হাঁহিব তেওঁৰ মুখৰ পৰা তিনিটা জেচমিন ফুল সৰি পৰিব, আৰু মই তাৰে দ্বিতীয় ফুলটোৰ যদি গোন্ধ লওঁ তেতিয়া মোৰ মূৰৰ বিষ নোহোৱা হব । মোৰ মূৰৰ বিষ ভাল হলে মোৰ সৰ্প প্ৰজাবোৰে আৰু আপোনাৰ ৰাজ্যৰ মানুহবোৰক অসুবিধাত নেপেলাব । আপুনি মোক সেই ফুলটো আনি দিব

ইতিহাস

৩০০ খৃষ্টপূৰ্বৰ চন্দ্ৰগুপ্ত মৌৰ্য্যৰ শাসন কালৰে পৰা ইতিহাসত কৰ্ণাটক ৰাজ্যৰ উল্লেখ পোৱা যায়। কথিত আছে যে, সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্য্যই তেওঁৰ জীৱনৰ শেষৰ ফালে ৰাজ্য ত্যাগ কৰি জৈন ধৰ্ম গ্ৰহণ কৰিছিল আৰু কৰ্ণাটকৰ শ্ৰাৱণবেলাগোলালৈ উভতি আহিছিল । তাৰ বহু শতিকাৰ পিছত -- শ্ৰাৱণবেলাগোলাত ১৭ মিটাৰ ওখ গোমতেশ্বৰৰ মূৰ্ত্তি এটা স্থাপন কৰা হৈছিল ।

পাৰিবনে?" সৰ্পৰ ৰজাই ৰাজকুমাৰক কৈছিল।

তেতিয়া ৰাজকুমাৰে কৈছিল যে তেওঁ ৰাজকুমাৰীক লগ ধৰি তেওঁৰ হাঁহি উঠাবলৈ চেষ্টা কৰিব । তাৰ পাছত ৰাজকুমাৰে মাক পিতাকক এই বিষয়ে জনাই দক্ষিণৰ ৰাজ্যলৈ যাত্ৰা কৰিছিল। গৈ গৈ ৰাজকুমাৰে এটা ধুনীয়া সৰোবৰ দেখা পাইছিল । সেই সৰোবৰটোত পানী খাবলৈ গৈ দেখিবলৈ পালে এটা পৰুৱাৰ বাহ সৰোবৰৰ পানীত পৰি গৈছে । "আঃ, বেচেৰা পৰুৱা," বুলি কৈ নিজৰ মূৰৰ পাগুৰিটো খুলি সেইটোৰে পৰুৱাৰ বাহটো তুলি আনি পাৰত থৈছিল ।

"হে ৰাজকুমাৰ, তোমাক অশেষ ধন্যবাদ," আতাইবোৰ পৰুৱাই একেলগে ৰাজকুমাৰক ধন্যবাদ জনাই কৈছিল "কেতিয়াবা যদি আমাক তোমাৰ আৱশ্যক হয় আমাৰ কথা স্মৰণ কৰিবা, আমি গৈ তোমাক সহায় কৰিম ।"



ইয়াৰ পাছত ৰাজকুমাৰে অতব্য হাবিৰ মাজৰ বাটেৰে আগবাঢ়ি গৈছিল । কিছুদূৰ যোৱাৰ পাছত তেওঁ এক আচৰিত শব্দ শুনিবলৈ পাইছিল। সেই শব্দটো অনুসৰণ কৰি ৰাজকুমাৰে দেখিবলৈ পাইছিল এটা ৰাক্ষস মাটিত পৰি আছে আৰু তাৰ ওপৰত এডাল তেঁতেলী গছ গজি উঠিছে ।

এইটো হবলৈ পমলে যেতিয়া ৰাক্ষসটোৱে তাৰ মুখমেলি শুই আছিল এটা কাউৰীয়ে তেঁতেলীৰ গুটি এটা তাৰ মুখত পেলাই দিছিল তাৰ পৰাই এডাল বৃহৎ তেঁতেলীগছ গজি উঠিছিল। ৰাক্ষসটোৱে যেতিয়া টোপনিৰ পৰা সাৰ পাইছিল তেতিয়ালৈকে গছডালৰ শিপাই ৰাক্ষসটোক মাটিৰ লগত সী থৈ দিছিল। গতিকে বেচেৰা ৰাক্ষসটোৱে তাৰ পৰা উঠিব নোৱাৰি অস্ফুত স্বৰে কেঁকাই আছিল। ৰাজকুমাৰে তেওঁৰ চোকা তৰোৱালেৰে গছৰ শিপাবোৰ কাটি দি ৰাক্ষসটোক উঠিবলৈ সহায় কৰিছিল। ৰাক্ষসটোৱে ৰাজকুমাৰক কৃতজ্ঞতা জনাই কৈছিল, "তুমি যদি ইয়ালৈ নাহিলাহেতেন মোৰ কি অৱস্থা হ'ল হয় মই নিজেই নাজানো। কেতিয়াবা যদি তুমি বিপদত পৰা মোৰ কথা স্মৰণ কৰিবা মই তৎক্ষণাত তাত গৈ উপস্থিত হম।"

ইয়াৰ কিছু পিছতেই ৰাজকুমাৰে গৈ তেওঁ বিচাৰি যোৱা ৰাজ্যখনৰ ওচৰ পাইছিল। ৰাজ্যৰ বাহিৰতে ৰাজকুমাৰে শিৱিৰ স্থাপন কৰি থাকি ৰজালৈ বাতৰি দি কৈছিল যে তেওঁ উত্তৰৰ ৰাজ্যৰ ৰাজকুমাৰ আৰু তেওঁ জেচমিন ৰাজকুমাৰীৰ পাণি বিচাৰি আহিছে। এজন ধুনীয়া আৰু উপযুক্ত ৰাজকুমাৰে তেওঁৰ কন্যাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিয়া বাবে ৰজা বৰ আনন্দিত হৈছিল। ৰজাই নিজে ৰাজকুমাৰৰ শিৱিৰলৈ গৈ ৰাজপ্ৰাসাদলৈ তেওঁক আদৰি আনিছিল।

"তুমি মোৰ কন্যাক বিবাহ কৰোৱাৰ বাবে অতি উপযুক্ত যেনেই লাগিছে। কিন্তু আমাৰ বংশৰ বিবাহৰ নিয়ম মতে তুমি কন্যা লাভ কৰাৰ আগতে তিনিটা কাম সম্পূৰ্ণ কৰিব লাগিব। কাম তিনিটা তেনেই সামান্য!" তেতিয়া ৰাজকুমাৰে কাম তিনিটানো কি এই বিষয়ে ৰজাক সুধিছিল।

"তেনেহলে শুনা," ৰজাই কৈছিল, "তুমি আমাৰ এটা ভঁৰালত মিহলি হৈ থকা চাউল আৰু মাটিমাহ এৰাতিৰ ভিতৰতে বেলেগ বেলেগকৈ থব লাগিব। তুমি এই কামটো কৰি উঠাৰ পিছত মই দ্বিতীয় কামটোৰ কথা কম।"

ৰাজকুমাৰে ভঁৰাললৈ গৈ চাউল আৰু মাটিমাহৰ এটা ডাঙৰ দ'ম দেখিবলৈ পালে।

উদ্ভিদ

কফিৰ কাৰণে কৰ্ণাটক অতি বিখ্যাত। ইয়াৰে কূৰ্গ আৰু চিকমাগলুৰত কফি খেতি কৰা হয়। চিমোগাত অতি উন্নতমানৰ তামোল উৎপাদন হয়।

কৰ্ণাটকত বহুতো সুগন্ধি ফুল আৰু গছগছনি আছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল -- হালধীয়া চম্পক, জেচমিন, কঠাল আৰু চন্দন গছ।

কৰ্ণাটকৰ মালনাদ বননি অঞ্চলত প্ৰচুৰ ইলাছি আৰু জালুকৰ গছ আছে।

দ'মটো দেখি কি কৰিব কি নকৰিব ভাবি থাকোতে হঠাতে তেওঁৰ পৰুৱা কেইটাৰ কথা মনত পৰিল। তেওঁ পৰুৱাৰ কথা স্মৰণ কৰাৰ লগে লগে জাকে জাকে পৰুৱা আহি তাত উপস্থিত হৈছিল। ৰাজকুমাৰে সিহঁতক আদেশ দিয়াৰ আগতেই পৰুৱাবোৰে চাউল আৰু মাটিমাহ বেলেগ বেলেগকৈ থবলৈ ধৰিলেই। ৰাতি আধামান শেষ হোৱাৰ আগতেই পৰুৱাবোৰে চাউল আৰু মাটিমাহৰ দুটা বেলেগ বেলেগ দ'ম তৈয়াৰ কৰিছিল।

পিছদিনা ৰাতিপুৱা ৰজাই ৰাজকুমাৰেনো কি কৰিছে চাবলৈ আহি দেখে ৰাজকুমাৰে কাম সম্পূৰ্ণ কৰি ৰাখিছে। "বৰ ভাল কথা," ৰজাই কৈছিল। "এতিয়া তুমি এশ চৰিয়া ভাত এশ টেকেলি দৈ গাখীৰেৰে সৈতে মিহলাই খাব লাগিব।

এইবাৰ ৰাজকুমাৰে ৰাক্ষসটোক স্মৰণ কৰাৰ লগে লগে ৰাক্ষসটোৱে তাত উপস্থিত হৈছিল আৰু সকলোবোৰ ভাত আৰু দৈগাখীৰ খাই শেষ কৰি পেলাইছিল। তাৰপাছত আৰু আৱশ্যক হলে ৰাজকুমাৰক সহায় কৰাৰ প্ৰতিশ্ৰুতি দি ৰাক্ষসটো গুচি গৈছিল।

তৃতীয় কামটো আছিল সাতখন ৰাজ্যই আগুৰি থকা পাহাৰখনৰ ওপৰত এটা বেল আছে। সেই বেলটো এনেদৰে বজাব লাগিব যাতে সাতোখন ৰাজ্যৰ মানুহে ইয়াৰ শব্দ শুনিবলৈ পায়। ৰাজকুমাৰে পাহাৰখনৰ ওপৰলৈ উঠি গৈ আকৌ এবাৰ ৰাক্ষসটোক স্মৰণ কৰিছিল। ৰাক্ষসটোৱে তৎক্ষণাত আহি উপস্থিত হৈ ৰাজকুমাৰক সুধিছিল, "এইবাৰ কি কৰিব লাগিব ?" তেতিয়া ৰাজকুমাৰে কৈছিল, "হে বলী ৰাক্ষস! তুমি এই বেলটো খুব ডাঙৰ শব্দ হোৱাকৈ বজাব পৰিবানে ?"

ৰাক্ষসে বেলটোৰ ৰছীডালত ধৰি এনেদৰে প্ৰচন্ড জোৰে বজাইছিল যে সাতোখন ৰাজ্যৰ মানুহে ইয়াৰ শব্দ শুনিবলৈ পাইছিল। ৰজাই নিজেও সেই বেলটোৰ শব্দ শুনিবলৈ পাই বিবাহৰ আয়োজন কৰাত লাগি গৈছিল। বিয়াৰ পিছত ৰাজকুমাৰে বহুতো উপঢৌকনেৰে সৈতে নতুন কইনাক লৈ নিজ ৰাজ্য অভিমুখে আগবাঢ়িছিল।

বাটত গৈ থাকোতে তেওঁলোকে এখন গাঁৱৰ মেলাত কিছুমান বাজীকৰে বান্দৰৰ খেল দেখুৱাই থকা দেখিছিল।

"সৌটো কি ?" ৰাজকুমাৰীয়ে সুধিছিল,

হস্ত শিল্প

চোৰাব, সাগৰ আৰু কুমটা অঞ্চল হাতীৰ দাঁত আৰু চন্দন কাঠত কাৰুকাৰ্য্য কৰাৰ বাবে বিখ্যাত। কৰ্ণাটকৰ অতি জনপ্ৰিয় হস্তশিল্প হ'ল চন্দন কাঠৰ ওপৰত খোদাই কাৰ্য্য, ৰোজ উডৰ ওপৰত খচিত কাৰ্য্য, টেৰাকোটা আৰু সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰা কাৰ্য্য। এই ৰাজ্যখন পাট শিল্পৰ বাবেও অতি বিখ্যাত।



যাৰ ওজন মাত্ৰ সাতটা জেচমিন ফুলৰ সমান। তেওঁ কেতিয়াও এনে মেলা দেখিবলৈ পোৱা নাছিল।

"তেনেহলে আহা মেলা চোৱাহি ।" এইবুলি কৈ তেওঁলোক উঠি অহা দোলাখন বাটৰ দাঁতিত ৰখাবলৈ ৰাজকুমাৰে আদেশ দিছিল । তাৰপাছত তেওঁলোকে মেলা চাবলৈ গৈছিল ।

জেচমিন ৰাজকুমাৰীয়ে বান্দৰৰ খেলা দেখি অতি আনন্দিত হৈছিল । তাৰ পিছত জীৱনত কেতিয়াও হাঁহি নোপোৱা ৰাজকুমাৰীয়ে এনেদৰে জোৰে হাঁহি দিছিল; যাৰ ফলত তেওঁৰ মুখৰ পৰা তিনিটা জেচমিন ফুল সৰি পৰিছিল । ৰাজকুমাৰে ফুল তিনিটা বুতলি লৈ তাৰে দ্বিতীয় ফুলটো সযতনে তেওঁৰ পাগুৰিত বান্ধি ৰাখিছিল।

বাটত গৈ থাকোতে ৰাজকুমাৰে -সৰ্পৰাজ থকা ডাঙৰ গছডালৰ ওচৰত ৰৈ সৰ্পৰাজক জেচমিন ফুলটো দি আহিছিল । সৰ্পৰাজে ফুলৰ গোন্ধ লৈ মূৰ বিষ ভাল পাইছিল । তেতিয়া তেওঁ ৰাজকুমাৰক এটা ৰত্ন উপহাৰ দিছিল । তাত লিখা আছিল --"যদি কেতিয়াবা তোমাক মোৰ আৱশ্যক হয়, তেতিয়া এই ৰত্নটোৰ ফালে চাবা।"

এইদৰে ৰাজকুমাৰ আৰু জেচমিন ৰাজকুমাৰীয়ে বাটত বহুতো বন্ধু লগ পাইছিল যিয়ে তেওঁলোকক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ৰাজকুমাৰে ধুনীয়া কইনা এজনী অনা বাবে ৰজাই অতি উলহ-মালহেৰে তেওঁলোকক আদৰণি জনোৱাৰ ব্যৱস্থা কৰিছিল ।

উমা ৰমণ

ভ্ৰমণ স্থান

কৰ্ণাটক ৰাজ্যখন ভ্ৰমণকাৰীৰ বাবে স্বৰ্গস্বৰূপ । এই ৰাজ্যখন প্ৰাকৃতিক সৌন্দৰ্য আৰু মানুহে তৈয়াৰ কৰা অশ্চৰ্য্যজনক বস্তুৰে ভৰপূৰ । ইয়াৰে বান্দিপুৰ আৰু নাগাৰাহ'ল অভয়াৰণ্যত হাতী, বাইছন, গউৰ আৰু লেঙ্গুৰ আছে । শৰাৱতী নদীয়ে জোগত এক চাবলগীয়া জলপ্ৰপাতৰ সৃষ্টি কৰিছে। মাইচোৰ (Mysore) নগৰখন বৃন্দাবন গাৰ্ডেন আৰু মাইচোৰ প্ৰাসাদৰ কাৰণে বিখ্যাত । ইয়াৰে অন্যান্য চাবলগীয়া ঠাইবোৰ হ'ল -- বেল্লাৰী আৰু ছিত্ৰদুৰ্গৰ পাহাৰী দুৰ্গ, বাদামী আৰু আইহ'লত থকা গুহা মন্দিৰ, হালেবিড় আৰু বেলুৰৰ মন্দিৰ, গোমতেশ্বৰৰ বিৰাট আকাৰৰ মূৰ্ত্তি, চামুন্দিৰ গ্ৰেণাইট পাথৰৰ ষাঁড়গৰু, হাম্পী আৰু হয়শালা মন্দিৰৰ ধ্বংশাৱশেষ আৰু বিজাপুৰৰ গোল গম্বুজ ।

সংবাদ প্ৰবাহ

মহাকাশলৈ যোৱা টিকট

এইটো প্ৰায় নিশ্চিত যে এপ্ৰিল মাহত দ্বিতীয়জন পৰ্যটকে আন্তৰ্জাতিক মহাকাশ ষ্টেচন পৰিদৰ্শন কৰিব । দক্ষিণ আফ্ৰিকাৰ মাৰ্ক চাট্‌লওৱৰ্থ নামৰ এজন সদাগৰে মহাকাশত ভ্ৰমণ কৰাৰ কাৰণে ইতিমধ্যে ২০ নিযুত আমেৰিকান ডালাৰ জমা দিছে । আমেৰিকাৰ মহাকাশ এজেন্সি নাচা (NASA) -ই প্ৰথম মহাকাশ পৰ্য্যটক, আমেৰিকাৰ ডেনিচ টিটোৰ ভ্ৰমণত সন্তুষ্ট হব পৰা নাছিল । টিটোই যোৱা বছৰ আন্তৰ্জাতিক মহাকাল ষ্টেচন ভ্ৰমণ কৰিবলৈ গৈছিল । সেয়েহে নাচাই এইবাৰ ২৮ বছৰীয়া চাটলওৱৰ্থক আৱশ্যকীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে । তেওঁ ৰাচিয়াৰ ৰকেটত উঠাৰ আগতে ৰাচিয়াত প্ৰশিক্ষণ লবলৈ যাব । মহাকাশত ভ্ৰমণ কৰিবলৈ ইচ্ছুক ব্যক্তিসকলৰ কাৰণে বৃটেনে ইতিমধ্যে ‘ভিচা’ আইন প্ৰবৰ্তন কৰিছেই । যিসকলে মাদক দ্ৰব্য, চিগাৰেট আৰু ড্ৰাগ সেৱনত অভ্যস্ত তেওঁলোকে ভিচা নাপাব । ইয়াৰ বাহিৰেও ব্যক্তি জন সুস্থ্য হব লাগিব আৰু ইংৰাজী ভাষা জানিব লাগিব ।

মঙ্গল গ্ৰহবাসীৰ বাবে সঙ্গীত

২০০৩ চনৰ ২৩ ডিচেম্বৰত বিগল ২ -এ গৈ যেতিয়া মঙ্গল গ্ৰহত অবতৰণ কৰিব তেতিয়া কৃত্ৰিম উপগ্ৰহটোৱে বৃটিছ পপ বেণ্ড ব্লাৰে কম্পোজ কৰা সঙ্গীত তৰঙ্গ পঠাব । বেণ্ডৰ সমৰ্থক সকলে কয় যে সেই বেণ্ডৰ সঙ্গীতত কিবা এক পৃথিবীৰ বাহিৰৰ বস্তু আছে । সেয়েহে সেই দলটোৱে পৃথিবীৰ বাহিৰলৈ সঙ্গীত পঠোৱাৰ সিদ্ধান্ত কৰিছে । ব্লাৰে ইতিমধ্যে ‘বিগলে অবতৰণ কৰিলে’ নামৰ এক সঙ্গীত কম্পোজ কৰি উলিয়াইছে । সেই সঙ্গীত মঙ্গল গ্ৰহবাসী আৰু পৃথিৱী-বাসী সকলে শুনিবলৈ পাব ।

গণেশ

পুত্ৰ গণপতিৰ আৰ্তনাদ শুনি পাৰ্বতী উচপ খাই উঠিল। পাৰ্বতীয়ে গণেশৰ মুণ্ডহীন দেহ বাগৰি থকা দেখা পালে আৰু অন্তৰীক্ষৰপৰা কাতৰ আৰ্তনাদ ভাহি অহা শুনিলে। পাৰ্বতীয়ে তীব্ৰ ৰুক্ষ দৃষ্টিৰে শিৱলৈ চাই ক'লে, "কি সৰ্বনাশ কৰিলা কোৱাচোন! নিজৰ পুত্ৰক নিজেই বাধিলা! তুমি পুত্ৰহন্তা হ'লা!" এই বুলি কৈ পাৰ্বতীয়ে অশ্ৰুবৰ্ষণ কৰিবলৈ ধৰিলে।

সমুদ্ৰই অবাক হৈ এইবোৰ দৃশ্য দেখি আছিল। শিৱই বুজিলে যে তেওঁৰ প্ৰতি এতিয়া সকলোৱেই বিতুষ্ট। শিৱই পাৰ্বতীক ক'লে, "মোৰ পুত্ৰ ক'ৰপৰা কেনেকৈ আহিল মই তো ক'ব নোৱাৰোঁ।"

পাৰ্বতীয়ে গণেশৰ জন্ম-বৃত্তান্ত শিৱক ক'লে। তেতিয়া শিৱই ক'লে, "তাক তুমি তোমাৰ মানস পুত্ৰ বুলি ক'ব পাৰা; কিন্তু সিনো মোৰ পুত্ৰ হ'ল কেনেকৈ?"

পাৰ্বতীৰ মুখ শেঁতা পৰিল। বিষ্ণুৱে এই সংকটজনক অৱস্থা বুজি পাই ব্ৰহ্মালৈ ইংগিত কৰিলে। ব্ৰহ্মাই আগুৱাই আহি শিৱক ক'লে, "তোমাৰ হস্ত যেতিয়া পাৰ্বতীৰ হস্তৰ ওপৰত পৰিছিল, তেতিয়াই তোমাৰ দেহৰ আধা বীৰ্যৱত্তা পাৰ্বতীৰ দেহত অনুপ্ৰবিষ্ট হৈছিল। তাৰ ফলত পাৰ্বতীৰ দেহ আৰু মনতো পুত্ৰলাভৰ যি সদিচ্ছা হৈছিল, সেই ইচ্ছাশক্তিৰেহে পুত্ৰ গণেশৰ জন্ম লাভ সম্ভৱ হৈছিল।"

ব্ৰহ্মাৰ কথা শুনি শিৱৰ মুখৰ মাত হৰিল। তেওঁ কেইমুহূৰ্তমানৰ বাবে ব্ৰহ্মাৰ মুখলৈ



অপলক দৃষ্টিৰে চাই ৰ'ল । শিৱৰ মনত তেতিয়া প্ৰচন্ড ধুমুহা । তেওঁৰ ভাবিলে: ইও বাৰু সম্ভৱনে ? কেৱল মাত্ৰ ইচ্ছাশক্তিৰ বলতে পুত্ৰলাভ জানো সম্ভৱ ? ইপিনে ব্ৰহ্মা আন যিয়েই নহওক--তেওঁ সততাৰ মূৰ্ত প্ৰতীক । গতিকে অবিশ্বাস কৰা টান ।

কিন্তু তথাপি ব্ৰহ্মাৰ কথাত শিৱ সন্তুষ্ট নহ'ল । শিৱৰ মনত এক দুৰূহ প্ৰশ্নৰ কন্টকে মূৰ দাঙিলে । তেওঁৰ ভাবি নোপোৱা হ'ল সৃষ্টিৰ বিচিত্ৰ ৰহস্য তথা ক্ষমতা । ক'ৰ পৰা যে কেতিয়া কি হয়গৈ কোনেও ক'ব নোৱাৰে। আন কি দেৱতা সকলো যে এই প্ৰশ্নত কিমান অসহায় সেই কথা তেওঁ উপলব্ধি কৰিলে আৰু ব্ৰহ্মাক ক'লে, "কিন্তু মোৰেই পুত্ৰৰ জন্মৰ কথা মই যে নাজানিলোঁ সেই কথা ভাবি মই আচৰিত হৈছোঁ ।"

ব্ৰহ্মাই ক'লে, "হে শিৱ ! এই অপাৰ সৃষ্টি-ৰহস্যৰ মাজত কত যে অজ্ঞাত ৰহস্য লুকাই আছে তাৰ লেখ-জোখ বিচাৰি পাবলৈ নাই । সৃষ্টি ৰহস্য কেতিয়াও স্থিৰ-নিশ্চয় নহয়, সৃষ্টিৰ ৰহস্য সততে সঞ্চৰমান, আৰু নৱ নৱ প্ৰেৰণাৰ দ্যোতক ।"

পাৰ্বতীয়ে গণেশৰ মৃতদেহক সাবটি ধৰি কান্দি আছিল । এনেতে আকাশৰপৰা গণেশৰ কণ্ঠ ধ্বনিত হ'ল : "উত্তৰ দিশলৈ মূৰ কৰি শুই থকা কাৰোবাৰ মস্তক কাটি মোৰ দেহৰ সৈতে যোৰা লগাই দিলেই মই পুনৰ্জীৱিত হ'ম !"

দেৱতাসকল তৎক্ষণাৎ উত্তৰ দিশলৈ মূৰ কৰি নিদ্ৰামগ্ন কাৰোবাক বিচাৰি ওলাল । তেওঁলোকে অৰণ্য পৰ্বত সকলোতে ঘূৰি ফুৰিবলৈ ধৰিলে । কিন্তু বহু বিচাৰিও একমাত্ৰ শ্বেতহস্তী বাদে আন কোনো নিদ্ৰামগ্ন মানুহ বা জন্তুকো বিচাৰি পোৱা নাগ'ল । সেই শ্বেতহস্তীটিয়ে শিৱৰ নাম ধ্যান কৰি কৰি নিদ্ৰামগ্ন হৈছিল ।

দেৱলোকত দেৱতাসকলৰ বাহন হস্তী বিলাক য'ত আছিল ইন্দ্ৰই এবাৰ সেই ঠাইৰ কাষেদি গৈ আছিল । ইন্দ্ৰৰ বাহনৰ নাম আছিল ঐৰাৱত । ঐৰাৱতৰ সন্তান আছিল গজেন্দ্ৰ । ইন্দ্ৰক দেখা পায়ো ইন্দ্ৰলৈ কোনো প্ৰকাৰ বিনয় প্ৰদৰ্শন নকৰাকৈয়েই গজেন্দ্ৰই গৈ আছিল ক'ৰাবলৈ । গজেন্দ্ৰৰ গতি-গোত্ৰ চাই ইন্দ্ৰ ক্ৰুদ্ধ হ'ল । ইন্দ্ৰই গজেন্দ্ৰক ক'লে, "তোমাৰ ইমান অহংকাৰৰ কাৰণ কি ? তোমাৰ দেউতাৰ যে মোৰ বাহন সেই কথা তুমি নাজানা নেকি ?"

ইন্দ্ৰৰ কথা শুনি গজেন্দ্ৰ থমকি ৰ'ল। গজেন্দ্ৰই ইন্দ্ৰৰ পিনে ক্ৰুদ্ধ দৃষ্টিৰে চালে আৰু ভাবিলে : মাত্ৰ এজনৰ সুকৰ্মৰ ফলত এটা বংশৰ সুনাম দশোদিশব্যাপ্ত হয়; আনহাতে, মাত্ৰ এজনৰ কুকৰ্ম অথবা অযোগ্যতাৰ ফলত এটা সুমহান বংশৰ নামো কলংকলিপ্ত হব'পাৰে। কিন্তু সেই বুলি এই উদ্ধত অবিনয়ী অযোগ্য দেৱৰাজ ইন্দ্ৰক সমুচিত শিক্ষা নিদিয়াকৈ এৰি দিব নোৱাৰি।

"মোৰ দেউতাই তেওঁৰ ভাগ্যত থকা মতে কাম কৰি আছে। কিন্তু হে উদ্ধত উগ্ৰ অবিনয়ী ইন্দ্ৰ, তাৰ বাবে মইনো তোমাৰ আগত মূৰ দোঁৱাম কিয় ? মই তোমাৰ আগত কেতিয়াও কোনো অৱস্থাতে মূৰো নোদোৱাওঁ, আৰু মই তোমাক ভয়ো নকৰোঁ।" গজেন্দ্ৰই গোৰগোৰাই উঠি ইন্দ্ৰক ক'লে।

"মই যে ইন্দ্ৰ--মই যে দেৱৰাজ ইন্দ্ৰ সেই কথা তুমি জানানে নাজানা ?" ইন্দ্ৰই খঙাল দৃষ্টিৰে গজেন্দ্ৰলৈ চাই সুধিলে।

"জানো। মোৰ নামো যে গজেন্দ্ৰ--তুমি জানা নিশ্চয় ? মোৰ দৰে আৰু বহুতো আছে। যেনে--নগেন্দ্ৰ, পক্ষীন্দ্ৰ ইত্যাদি। আৰু কথাটো কি জানা--এশখন যজ্ঞ পাতিব পাৰিলেই 'ইন্দ্ৰ' হ'ব পাৰি। কঠোৰ তপস্যাৰ বলতো ইন্দ্ৰত্ব পোৱা সম্ভৱ। আৰু সেয়েহে, তুমি সদায় আনৰ ভয়তে অস্থিৰ হৈ কঁপি থাকা।" গজেন্দ্ৰই ইন্দ্ৰক উপহাস কৰিক'লে।

ইন্দ্ৰই অতিপাত ক্ৰুদ্ধ হৈ অভিশাপ দিলে, "তোমাৰ মূৰটো কটা যাওক ?"

গজেন্দ্ৰই হো হোৱাই হাঁহি মাৰি ক'লে,

শিৱৰ অনুমতি বিনে এটা পৰুৱায়ো মোক কামুৰিব নোৱাৰিব। তুমি মোৰ একো অনিষ্ট কৰিব নোৱাৰিবা আৰু মোৰ আগত কিজানি কেতিয়াবা তুমিহে মূৰ দোঁৱাবলগাত পৰিবা।"

গজেন্দ্ৰ যে যথেষ্ট জ্ঞানী আছিল, সেই কথা ইন্দ্ৰই নাজানিছিল। শিৱৰ প্ৰশংসা শুনি ইন্দ্ৰই গজেন্দ্ৰক দেৱলোকৰপৰা ভূমিলৈ ঠেলি পেলাওঁতে ক'লে, "যোৱা, ভূমিলৈ গৈ শিৱৰ গুণকীৰ্ত্তন কৰি থাকাগৈ।"

গজেন্দ্ৰ পৰ্বতৰ ওপৰত বাগৰি পৰিল। অনতিদূৰত আছিল কৈলাস পৰ্বত। কৈলাস পৰ্বতৰ পিনে মূৰ কৰি গজেন্দ্ৰ গভীৰভাৱে নিদ্ৰামগ্ন হৈ পৰিল।

দেৱতাসৱে গজেন্দ্ৰৰ মূৰটো কাটি আনি গণেশৰ দেহত যোৰা লগাই দিয়া মাত্ৰকে গণেশ পুনৰ্জীৱিত হ'ল।



পাৰতীয়ে গণেশৰ মুখখন দেখি উচপ খাই উঠি ক'লে, "মোৰ পুত্ৰৰ মুখখন এনেকুৱা হ'ল কিয় !"

তেতিয়া গণেশে ক'লে, "মা, মোক দেখি উচপ খাই উঠিছা কিয় ? যি ঘটিব-লগীয়া আছিল নিবিঘিনিৰে ঘটি গ'ল । মই আগতেই তোমাৰ আগত দেখা দিয়া নাছিলোঁনে ? দুফালে দুটা হস্তী থকাৰ কথা তুমি পাহৰিলাইনে ? মই তেতিয়া সিহঁত দুটাৰ মাজত নাছিলোঁনে ? মোৰ নামেই হ'ল বিঘ্নেশ্বৰ ।"

লগে লগে পাৰ্বতী আৰু শিৱৰো সকলো ঘটনা মনত পৰিল । শিৱই তেতিয়া ভক্তিযুক্তভাৱে ক'লে, "হে বিঘ্নেশ্বৰ ! তুমি তেন্তে মোৰেই পুত্ৰ হৈ আবিৰ্ভূত হ'লা ! তুমি যে কিয় মোৰ সৈতে যুদ্ধ কৰিছিলা, এতিয়াহে বুজিলোঁ । তোমাৰ লীলা বুজি পোৱা টান ।"

"মই জনম নোলোৱাহেঁতেন গজাসুৰক তুমি যি কথা দিছিলা তাৰ কিবা থাকিলহেঁতেননে ?" গণেশে সুধিলে ।

শিৱই অলপ ভাবি লৈ ক'লে, "এতিয়া মোৰ সকলো কথা মনত পাৰিছে । ভাল কথা, এতিয়াৰপৰা মোৰ গাতো হস্তীৰ ছাল ল'ব লাগিব ।" এই বুলি কৈ শিৱই হস্তীৰ ছাল পিন্ধি ক'লে, হে বিঘ্নেশ্বৰ ! মোক তোমাৰ বিশ্বৰূপ প্ৰদৰ্শন কৰা ।"

তেতিয়া বিঘ্নেশ্বৰে নিজৰ দেহটোক আকাশলংঘা কৰি তুলিলে আৰু পাঁচটি মস্তক প্ৰদৰ্শন কৰিলে । শিৱই দেখিলে --

ভূমি, জল, অগ্নি, বায়ু আৰু আকাশ এই পাঁচোটাৰ পাঁচবিধৰ ৰং আছে, যথাক্ৰমে-- সেউজ, স্ফটিক, ৰক্তবৰ্ণ, শুভ্ৰ আৰু নীল । সেই পাঁচটি মস্তিষ্কৰ যোগেদিয়েই সকলো দেখা গ'ল । শিৱই পঞ্চভূত দৰ্শন কৰিলে । গণেশৰ উদৰ বিৰাট । ভালো কেইখ'ন হস্ত । প্ৰতিখন হস্ততে বেলেগ বেলেগ অস্ত্ৰ । অংকুশ, কুঠাৰ, শংখ, চক্ৰ, পদ্ম, ডম্বৰু, ত্ৰিশূল, জপমালা, কমণ্ডলু আৰু বীণা। এইবোৰলৈ চাই দেৱতাসকলে মূৰ দোঁৱালে। সৰস্বতীদেৱীয়ে বীণা বজালে । নাৰদেও তেওঁৰ তম্বুৰা বজাবলৈ ধৰিলে । শিৱই আনন্দতে তাণ্ডৱনৃত্য আৰম্ভ কৰিলে ।

এই অভূতপূৰ্ব দৃশ্য প্ৰত্যক্ষ কৰি ইন্দ্ৰৰে সৈতে তিনি কোটি দেৱতাই প্ৰণাম কৰিলে। তেতিয়াই ইন্দ্ৰৰ মনত পৰিল : 'মোৰ আগত

তুমিয়েই কিজানি মূৰ দোঁৰাবলগাত পৰিবা'। ইন্দ্ৰই অনুশোচনা জ্ঞাপন কৰি মনে মনে ক'লে : ''হে বিঘ্নেশ্বৰ, গজেন্দ্ৰ যে ইমান জ্ঞানী মই অজ্ঞানে সেই কথা নজানিছিলোঁ।'' এই কথা কৈ ইন্দ্ৰই নিজৰ কাণ তিনিবাৰ ছুলে।

ইন্দ্ৰই যি কৰিলে, দেৱতাসকলেও তাকে কৰিলে। তাৰ পাছত শিৱই ক'লে, ''হে বিঘ্নেশ্বৰ, তোমাৰ এই ৰূপৰ অনেক অৰ্থ আছে বুলি বোধ হৈছে মোৰ । এইবোৰৰ অৰ্থ জানিবলৈ আমাৰ প্ৰবল ইচ্ছা হৈছে ।''

এই কথাৰ উত্তৰত গণেশে ক'লে, ''মই যি বিশ্বৰূপ প্ৰদৰ্শন কৰিলোঁ, আচলতে তাক শিৱভক্তসকলৰ সম্মিলনী বুলি ক'ব পাৰি । মোৰ একমাত্ৰ পৰিচয় হ'ল যে--মই শিৱ-পাৰ্বতীৰ পুত্ৰ ।'' এই বুলি কৈ গণেশ কৰযোৰে থিয় হ'ল ।

ব্ৰহ্মাই আগবাঢ়ি আহি ক'লে :

''মত্স্যাৱতাৰৰ কালত বিষ্ণুৱে সোমকা-সুৰক হত্যা কৰি বেদসমূহ ৰক্ষা কৰিছিল ।

পূৰ্ণ চন্দ্ৰলোকত বিঘ্নেশ্বৰক সাক্ষী মানি বিষ্ণুৱে মোক সেই বেদসমূহ দিছিল । মই জ্ঞান সিদ্ধি লাভ কৰিছোঁ । মই বেদপাঠ কৰিয়েই বিঘ্নেশ্বৰ সম্পৰ্কে জ্ঞাত হৈছিলোঁ । সংকল্প সিদ্ধিৰ বাবে যিকোনো কামৰ আৰম্ভণীতে বিঘ্নেশ্বৰক সুঁৱৰিব লাগে । বিঘ্নেশ্বৰৰ অন্য নাম বিষ্ণু । আকাশ, বায়ু, অগ্নি, জল আৰু স্থল--এই পঞ্চভূতৰ অধিপতি হোৱা হেতুকে বিঘ্নেশ্বৰৰ আন এক নাম হ'ল মহাগণাধিপতি । পঞ্চভূতৰ প্ৰতীকস্বৰূপে পাঁচটি মস্তকৰ পাঁচবিধ ৰং আছিল । হস্তিৰ মস্তক হ'ল শক্তি আৰু বুদ্ধিৰ প্ৰতীক । কেৱল বিৰাট উদৰৰ অধিকাৰী হ'লেই নহ'ব, বিশাল বুদ্ধিৰ অধিকাৰীও হ'ব লাগিব । এয়ে সেই

উদৰ--যি উদৰে আগৰ খাদ্যবস্তুক জীৰ্ণ কৰে আৰু নতুন খাদ্য গ্ৰহণ কৰে । ইমান বিৰাটাকাৰ দেহটিয়ে ইচ্ছা কৰিলে ক্ষুদ্ৰ অন্দুৰৰ উঠিত ঠিও ঘূৰি ফুৰিব পাৰে । এই বিঘ্নেশ্বৰ হ'ল বিশ্বজ্ঞানৰ প্ৰতীক । তেওঁৰ মাজতে সকলো জ্ঞানৰ ভাণ্ডাৰ আছে । আৰু সেয়েহে--গণেশ তথা বিঘ্নেশ্বৰৰ অন্য নাম বিজ্ঞানেশ্বৰ । মস্তক যেনেকৈ বুদ্ধিৰ ভঁৰাল, তেনেকৈয়ে তীক্ষ্ণ বুদ্ধিৰ প্ৰতীক হ'ল অংকুশ। যাৰ ধৰ্ম তেওঁৰ ওচৰতে থাকক-- এয়ে হ'ল গণেশৰ ইচ্ছা । সকলো ধৰ্ম এক সূত্ৰত বন্ধা । গণেশৰ হস্তত বিভিন্ন বাদ্যযন্ত্ৰ আছে । গণেশৰ চক্ষু ক্ষুদ্ৰ হ'লেও সেই চক্ষুৰ দৃষ্টি সুদূৰপ্ৰসাৰী । সেই দৃষ্টিয়ে অনু-পৰামাণুকো মনিব পাৰে । শুঁৰেৰে তেওঁ দূৰৰ বস্তুক ওচৰলৈ লৈ আহিব পাৰে, আৰু ওচৰৰ বস্তুক দূৰলৈ প্ৰেৰণ কৰিব পাৰে ।

প্ৰতিটো শুভ কাৰ্য্যৰ আৰম্ভণীতেই গণেশৰ পূজা কৰিব লাগিব, তেতিয়াহে সেই কাৰ্য্য বিঘ্নহীনভাৱে সুসম্পন্ন হ'ব ।

বিঘ্নেশ্বৰৰ হস্তত যি পাঁচখন বেদ আছে, সেই বেদ অধ্যয়ন কৰাৰ ফলত সমগ্ৰ বিশ্বৰ জ্ঞান তেওঁ লাভ কৰিছে । গণেশ হ'ল অভয় দানৰ মূৰ্ত প্ৰতীক । গণেশৰ ক্ষমতা ইমানেই অধিক যে মই তাৰ পৰিপূৰ্ণ বৰ্ণনা দিব নোৱাৰিম। কেৱল বাৰে বাৰে এই কথা কওঁ, গণেশ পূজাৰে কোনো কাম আৰম্ভ কৰিলে সেই কামত কোনোৰূপ বিঘ্ন কেতিয়াও নঘটিব।

এই বচনসমূহ কৈ ব্ৰহ্মা ৰ'ল । তেতিয়া শিৱই ক'লে, "ব্ৰহ্মাৰ বচন সকলোৱে শুনিলা । এতিয়া আমি মহাগণাধিপতি বিঘ্নেশ্বৰক ভক্তিযুক্ত মনে পূজা কৰোঁ আহাঁ ।"

শিৱৰ এই প্ৰস্তাৱত দেৱতাসকল একবাক্যে সন্মত হ'ল । নাৰদে তেওঁৰ তম্বুৰা বজাবলৈ ধৰিলে । সৰস্বতীৰ হস্তস্থিত বীণাই সুমধুৰ ঝংকাৰ তুলিলে । এনে সময়তে গণেশ দৌৰি গ'ল তেওঁৰ মাতৃৰ ওচৰলৈ । গণেশে তেওঁৰ মাতৃ পাৰ্বতীক ক'লে, "মা, মা অ'--এইবোৰ পূজা মোক নালাগে মা !"

এই বুলি কৈ বিঘ্নেশ্বৰ তথা গণাধিপতি গণেশে মাতৃৰ পদদ্বয় সাবটি ল'লে ।

ভৱিষ্যৎ বাণী

চন্দ্ৰগিৰিৰ ৰজা চতুৰবৰ্মা সদা হাস্যমধুৰ লোক আছিল আৰু আনকো হাঁহি আনন্দেৰে ৰাখিছিল । তেওঁৰ মতে জীৱন ক্ষণভঙ্গুৰ । যিকোনো মুহূৰ্ত্ততে প্ৰাণীৰ মৃত্যু হব পাৰে । মানুহে চিৰদিন ইয়াত নাথাকে । সেয়েহে তেওঁ সকলো সময়তে হাঁহি আনন্দে থাকিব বিচাৰিছিল । তেওঁ সদায় নতুনত্ব বিচাৰিছিল।

এদিন সন্ধিয়া ৰজা আৰু ৰাণীয়ে বাগিচাত ঘূৰি-ফুৰি আছিল । হঠাতে ৰজাই ৰাণীক কলে, "এই ফুল আৰু গছবোৰ আমি সদায় দেখি আছো । ইয়াতে কোনো নতুনত্ব নাই । তুমি এনে কোনো কথা কোৱা, যত নতুনত্ব থাকিব ।"

ৰজাৰ কথা শুনি ৰাণীয়ে হাঁহি মাৰি কলে, "আপুনি বৰ আচৰিত মানুহ । সদায় সদায় মই নতুন কথা ক'ত পাম, কিয়েই বা নতুন কথা কম ?"

ৰজাই অলপ সময় চিন্তা কৰিলে । তাৰপাছত কলে, "তেনেহলে এনে কৰো। এতিয়া সেই মালীজনৰ লগত গল্প গুজব কৰি সময়খিনি কটাও । তেতিয়া খুব ভাল লাগিব।" ফুলৰ পুলিবোৰত পানী দি থকা মালীটোক ৰজাই মাতিলে ।

মালীটোৱে দৌৰি আহি ৰজাৰ সন্মুখত হাতযোৰ কৰি থিয় হৈ ৰ'ল । ৰজাই নিজৰ গলৰ পৰা মুকুতাৰ হাৰ এডাল উলিয়াই তাৰ হাতত দিলে । ৰজাই জানিব বিচাৰিছিল এই অপ্ৰত্যাসিতভাবে পোৱা হাৰডালেৰে মালীয়ে কি কৰিব । কিন্তু মালীয়ে এই বিষয়ে কোনো প্ৰতিক্ৰিয়া নেদেখুৱালে । কোনো কথা ব্যক্ত নকৰাকৈ মালীয়ে হাৰডাল চোলাৰ মোনাত ভৰাই লৈ যাবলৈ খুজিলে ।

মালীৰ এই ব্যৱহাৰত ৰজাই আচৰিত হৈ মালীক সুধিলে, "চোৱা, বিনা কোনো কাৰণ নোহোৱাকৈয়ে মই এই মূল্যবান হাৰডাল তোমাক দিলো । ইয়াৰ বাবে তুমি আনন্দিতও নহলা আশ্চৰ্যও প্ৰকাশ নকৰিলা । কিয় বাৰু?"

নৰেন্দ্ৰ ঠক্কৰ

প্ৰভু, আগৰে পৰাই মই জানিছিলো আজি নহয় কালিলৈ আপুনি মোক হাৰডাল দিলেই হয় ।" মালীয়ে কলে ।

মালীৰ কথা শুনি ৰজাই আশ্চৰ্য প্ৰকাশ কৰি কলে, "আগৰে পৰাই তুমি এই কথা জানিছিলা ? এইটো কেনেকৈ সম্ভব ? তোমাক কোনে কৈছে ?"

"প্ৰভু, এয়া এক মুনিৰ ভৱিষ্যত বাণী ।" মালীয়ে কলে । তাৰপাছত তেওঁ আকৌ কবলৈ ধৰিলে -

"চাৰিদিন আগতে পূৰবী পৰ্বতৰ পাদদেশত অৱস্থিত মোৰ গাঁৱলৈ গৈছিলো । গাঁৱৰ মানুহবোৰে মোক কৈছিল যে তালৈ এজন মুনি আহিছে আৰু তেওঁ কৰা সকলো ভৱিষ্যত বাণীয়ে সঁচা হয় । মই সেই মুনিক চাবলৈ গলো । মোক দেখিয়েই তেওঁ নিজৰ হাতত ৰখা দন্ডডাল ওপৰলৈ উঠালে আৰু কলে, "তুমি বৰ ভাগ্যবান পুত্ৰ, অতি সোনকালে ৰজাই তোমাক এডাল হাৰ দিব।"

ইয়াৰ পাছত মালীয়ে আকৌ কলে, "প্ৰভূ, আপুনি যেতিয়াই মোক মাতিছিল মই বুজিব পাৰিছিলো আপুনি মোক হাৰডাল দিব।"

মালীৰ কথা শুনি ৰজা স্তম্ভিত হৈ গ'ল । তেওঁ ৰাণীৰ ফালে চাই কলে, "মহাৰাণী, আমিও মুনিক দৰ্শন কৰো বলা ।"

ৰজাৰ কথা শুনি মালীয়ে কলে, "প্ৰভূ, সেই মুনিবৰে তিৰোতা মানুহক দৰ্শন নিদিয়ে।"

এই কথা জানিব পাৰি ৰাণীয়ে চিন্তিত হৈ ৰজাক কলে, "মহামুনিসকলৰ ব্যৱহাৰ আমাৰদৰে সাধাৰণ মানুহে একো বুজি নাপাও। মই নগলো তাতে কি হ'ল আপুনিয়ে গৈ তেওঁক দৰ্শন কৰি আহিব ।

ৰাণীৰ কথা ৰজাৰ মনত নালাগিল । ৰজাই কলে, "মহাৰাণী ! আগতেই যদি আমাৰ ভৱিষ্যতৰ কথা আমি জানি লও তেনেহলে জীৱনত কোনো মজা নাথাকিব।"

আপুনি কিয় এইদৰে ভাবিছে ? তেতিয়া আমি জীৱনটোক আৰু সুন্দৰকৈ গঢ়ি তুলিব পাৰিম । আপুনি মুনিৰ ওচৰলৈ যাবই লাগিব।" ৰাণী আকোৰগোজ হৈ কলে ।

ৰজাই ৰাণীৰ কথা পেলাব নোৱাৰি পিছদিনাই ৰথত উঠি ৰজাই মুনিক দৰ্শন কৰিবলৈ গ'ল । কিন্তু সন্ধিয়া তেওঁ এক চিন্তাগ্ৰস্ত মন লৈ উলতি আহিল । ৰাণীয়ে বাৰ বাৰ ৰজাক এই চিন্তাৰ কাৰণৰ কথা সুধিলে। কিন্তু ৰজাই কোনো উত্তৰ নিদিয়াকৈ মৌন হৈ থাকিল ।

''আপুনি মোৰ পৰা কিবা লুকুৱাব বিচাৰিছে । কওঁকচোন মুনিয়ে কি কৈছে । মোৰে শপত, আপুনি কবই লাগিব ।'' ৰজাৰ হাতখন ৰাণীয়ে নিজৰ শিৰত তুলি লৈ কলে।

তেতিয়া ৰজাই ৰাণীৰ আগত খুব সৰু সৰু স্বৰেৰে সকলো কথা কলে । ৰজাই পিন্ধি থকা ৰত্নখচিত জোতাযোৰ দেখি মুনিয়ে কলে, ''মহাৰাজ, অতি সোনকালে আপোনাৰ খুব দুখলগা অৱস্থা হব । আনকি আপোনাৰ ভৰিত জোতা পৰ্যন্ত নাথাকিব । জোতাৰ কাৰণে আপুনি অন্যৰ ওচৰত হাত পাতিব লগা হব । এজন ভীল যুৱকে পুনৰ আপোনাক ৰাজমুকুত পিন্ধাই দিব ।''

মুনিৰ কথা শুনি ৰজাই ভয়তে কঁপিবলৈ ধৰিলে । তেওঁৰ অনুমান হ'ল যেন তেওঁৰ ভৰিৰ তলৰ মাটিও আঁতৰি যাব ধৰিছে । এটি কথাও নোকোৱা কৈ মৌন হৈ তেওঁ ঘৰলৈ ঘূৰি আহিল ।

''মহাৰাণী, মুনিৰ কথাৰ পৰা অনুমান হৈছে কোনো পৰাক্ৰমী ৰজাই আমাৰ ৰাজ্য আক্ৰমণ কৰিব । সেই যুদ্ধত আমাৰ পৰাজয় হব আৰু ভৰিৰ জোতা পৰ্যন্ত হেৰুৱাই আমি বনৰ মাজলৈ পলায়ন কৰিব লাগিব । নাজানো সেই ভীল যুৱকে কেতিয়া আমাক সহায় কৰিব আৰু কেতিয়া আমি আমাৰ ৰাজ্য ঘূৰাই পাম।'' ৰজাই অতি দুখমনে কলে।

এই কথা শুনিয়ে ৰাণীৰ চেতনা লোপ পালে । অলপ পিছত ৰাণীয়ে ৰজাক কলে, ''আপুনি মুনিক সুধিব লাগিছিল এই সংকতৰ পৰা ৰক্ষা পোৱাৰ উপায় কি ? আমি জপ-তপ, পূজা-পাঠ কৰিলেই হব নে এবাৰ গৈ এই কথা সুধি আহিব লাগিছিল ।''

পিছদিনা ৰজাই আকৌ মুনিক দৰ্শন কৰিবলৈ গ'ল । হাবিৰ মাজৰ পথত এটা বাঘে এটা হৰিণাৰ পিছে পিছে খেদি গৈ আছিল । সিহঁত দুটা হঠাৎ ৰথৰ আগত আহি



পৰিল। বাঘটো দেখিয়ে ঘোঁৰাটোয়ে ভয় খাই ৰথখন জোৰে টানি লৈ গৈ বোকাপানীৰে ভৰা নৰ্দমাত গৈ বাগৰি পৰিল । ৰজাইও আসনৰ পৰা পিচলি গৈ বোকাৰ মাজতে পৰিল । ৰথ চালকে ঘোঁৰাটোক নিয়ন্ত্ৰন কৰিবলৈ অপৰাগ হৈ তেওঁও গৈ অন্যফালে বাগৰি পৰিল ।

ৰজাৰ ভৰিৰ জোতা বোকাৰ মাজত সোমাই গৈছিল । জোতা নোহোৱাকৈয়ে তেওঁ উঠি আহিল । ওচৰতে থকা কাঁইটিয়া গছে তেওঁৰ গাত বিন্ধিছিল । গাটো পিহি পিহি কোনোমতে ৰজাই ৰথৰ ওচৰ আহি পাইছিল আৰু ৰথৰ সাৰথিৰ পৰা জোতা লৈ পিন্ধিছিল ।

ঠিক সেই সময়তে কান্ধত ধনুশৰ লৈ এজন ভীল যুৱক সেইফালেৰে গৈ আছিল । জাৰনিৰ মাজত পৰি থকা ৰজাৰ মুকুতটো তেওঁ দেখিছিল । সেইটো তেওঁ লৈ আহি কঁকালত বন্ধা গামোচাখনেৰে চাফা কৰি মুকুতটো ৰজাৰ শিৰত পিন্ধাই দি কলে, "মহাৰাজ, আপুনি কতো দুখ পোৱা নাইতো?"

আধা ঘন্টামানৰ ভিতৰতে ৰথৰ চালকে ৰথখন ঠিক-থাক কৰি ৰজাৰ সম্মুখত আনি ৰাখিলে । ৰজাই ৰথত বহি কলে, "এতিয়া আমি মুনিৰ ওচৰলৈ নাযাওঁ । পোনে পোনে ৰাজভৱনলৈ বুলি ৰথ চলোৱা ।"

সন্ধিয়া সময়ত ৰজাই গৈ ৰাজভৱন পালে। বোকাৰে লুটুৰি-পুটুৰি হোৱা ৰজাৰ কানি-কাপোৰবোৰ দেখি ৰাণীয়ে ভয়খাই সুধিলে, "এয়া কি ? আপোনাৰ কাপোৰত কৰপৰা বোকা লাগিল ?"

ৰজাই সকলোবোৰ কথা ৰাণীৰ আগত কলে, তাৰপাছত কলে যে, "মুনিৰ ভৱিষ্যৎ বাণী সঁচাকৈয়ে ফলিয়ালে । তেওঁ যি কৈছিল তাকে হ'ল । মুনিয়ে কোৱা কথাবোৰ কল্পনা কৰি মই যে কিমান মানসিক অশান্তিত ভুগিছিলো, সেয়া বৰ্ণনা কৰিব নোৱাৰি । ভৱিষ্যতৰ বিষয়ে একো নজনাকৈ থাকিলেই ভাল । তেতিয়া আনন্দ মনেৰে থাকিব পাৰি।

ৰাণীয়েও কলে, ঠিকেই, ইমানখিনি কথা জানিবলৈ গৈ আপুনি যে ক'ত যাতনা পাব লগা হ'ল । ময়ো কিমান দুশ্চিন্তাত ভোগি আছিলো ।" এইবুলি কৈ ৰাণীয়ে হাঁহিবলৈ ধৰিলে ।

চাকৰে শিকোৱা পাঠ

দেৱশাস্ত্রীয়ে বহুদিন ধৰি অধ্যাপকৰ কাম কৰিছিল । তেওঁ কামৰ পৰা অৱসৰ পোৱাৰ দিনা তেওঁৰ সন্মানাৰ্থে এখন সভা বহিছিল । সেই সভাত বক্তাসকলে দেৱশাস্ত্রীৰ অপাৰ জ্ঞানৰ প্ৰশংসা কৰিলে । তেওঁলোকৰ মতে এনে জ্ঞানী, প্ৰজ্ঞাশালী ব্যক্তি এই অঞ্চলত আৰু নাই । দেৱশাস্ত্রীয়ে নিজৰ জ্ঞানৰ প্ৰশংসা শুনি মনত আনন্দ লাভ কৰিলে ।

আবেলি ঘৰলৈ ঘূৰি আহি দেৱশাস্ত্রীয়ে পত্নী সাবিত্রীক ফুলৰ মালা আৰু গৰম চাদৰখন দেখুৱাই কলে, "সাবিত্রী, মই এজন অতি মেধাসম্পন্ন জ্ঞানবান পণ্ডিত, তথাপি দীৰ্ঘদিন ধৰি মোৰ মনত এটা শংকা ৰৈ গৈছিল । মই এজন ইমান ডাঙৰ পণ্ডিত হোৱা স্বত্বেও মোৰ তালৈকে ইমান কম সংখ্যক বিদ্যাৰ্থী কিয় অধ্যয়ন কৰিবলৈ আহে?"

"আপুনি ছাগৈ সিহঁতক বেতেৰে কোবায়," সাবিত্রীয়ে কলে । "মইতো বেতেৰে কোবোৱা কথা ভাবিবই নোৱাৰো। মই কেতিয়াও বেত প্ৰয়োগ কৰি পোৱা নাই।" দেৱশাস্ত্রীয়ে সাবিত্রীক কলে ।

"আপোনাৰ এই দীঘল গোঁফ দেখি সিহঁতে ভয়তে অহা নাই হয়তো । আপোনাৰ দাৰোৱাণী গোঁফ দেখিলে মোৰ সেইদিনাটোৰ কথা মনত পৰে । বিয়া উপলক্ষে মই যেতিয়া আপোনাক প্ৰথম দেখিছিলো ভয়তে মোৰ অৱস্থা নোহোৱা হৈছিল ।" সাবিত্রীয়ে হাঁহি হাঁহি কলে ।

চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিছত দেৱশাস্ত্রীয়ে নিজ গাঁৱলৈ উভতি গ'ল, কাৰণ চহৰত থাকি চলাতো তেওঁৰ পক্ষে সম্ভৱ নহব। তেওঁৰ হাতত ইমান বেচি জমা ধন নাই যে তেওঁ বাকী দিন কেইটা আৰামেৰে কটাব । ৰাতিপুৱাৰ পৰা সন্ধিয়ালৈকে তেওঁ ঘৰতে থাকিয়ে কিতাপ পঢ়ি সময় কটাইছিল।

সাবিত্রীয়ে পতিৰ দৈনন্দিন কাৰ্যসূচী দেখি এদিন কলে, "জ্ঞান সংগ্ৰহ কৰি থাকি

বিশ্বেশ্বৰ



কি লাভ ? আনৰ মাজত বিতৰণ কৰিলেহে জ্ঞান লাভ সাৰ্থক হয় । কথাতে কয় জ্ঞান এনে এক সম্পত্তি, যাক বিতৰণ কৰি থাকিলেও কমি নাযায় । এই গাঁৱত বহুতো অশিক্ষিত লোক আছে । তেওঁলোকক শিক্ষা দি কিছুমান আদৰ্শপূৰ্ণ কথা শিকাওক । এনে কৰিলে গাঁৱত আপোনাৰ নামো হব আৰু কম-বেচি পূণ্যও অৰ্জন কৰিব পাৰিব ।"

সাবিত্ৰীয়ে দিয়া পৰামৰ্শটো দেৱশাস্ত্ৰীৰ মনত উচিত যেন বিবেচিত হ'ল । তেওঁ গাঁৱৰ অশিক্ষিত মানুহবোৰৰ ঘৰলৈ গৈ কৈ আহিল যে অহা বিজয়া দশমীৰ দিনাখনৰ পৰা তেওঁ বিনা মাচুলে তেওঁলোকক পঢ়াব ।

বিজয়া দশমীৰ দিনা দেৱশাস্ত্ৰীয়ে ৰাতিৰ আহাৰ খাই উঠি হাতত কিতাপ লৈ পাঠাশালালৈ গ'ল । কিন্তু পাঠশালালৈ গৈ দেখিলে, তাত মাথোঁ এজন মানুহহে বহি আছে । সেইজন আছিল গাঁৱৰ ঠাকুৰৰ চাকৰ ৰামু ।

গাঁৱৰ মানুহৰ এই ব্যৱহাৰ দেখি শাস্ত্ৰীৰ মনত দুখ লাগিল । আৰু কোনোবা মানুহ আহিব পাৰে বুলি তেওঁ কিছু সময় অপেক্ষা কৰিলে । কিন্তু যেতিয়া কোনো এজন মানুহো নাহিল তেতিয়া তেওঁ ৰামুক কলে, "তোকনো অকলে কি পঢ়াম ? আজিলৈ আহিলো !"

কিন্তু ৰামুয়ে শাস্ত্ৰীক ৰবলৈ কলে আৰু তাৰপিছত কলে, "গুৰুদেৱ, মোৰ কথা এটা শুনক । মই যেতিয়া গৰু চাৰিবলৈ যাওঁ তেতিয়া যদি তাত এটা মাথোঁ গৰুৰ পোৱালিও থাকে তাক ঘাঁহ নুখুৱাকৈ মই ঘূৰি নাহো । তাক পেটভৰাই খুৱাইহে লৈ আহো।"

শাস্ত্ৰীয়ে ৰামুৰ কথাৰ গূঢ়াৰ্থ বুজি পালে । পঢ়াৰ প্ৰতি তাৰ উৎসাহ দেখি শাস্ত্ৰীৰ মনত

ভাল লাগিল । তেওঁ তাক কেইটামান বিষয় পঢ়ালে । মানুহৰ জীৱনত শিক্ষাৰ স্থান কিমান মহত্বপূৰ্ণ সেই বিষয়েও বুজাই কলে । তেওঁ ৰামুক আখৰ লিখিবলৈও শিকালে । শেষত তেওঁ তৃপ্তি মনে ঘৰলৈ উভতি আহিল ।

পিছদিনা ৰাতি তেওঁ আৰু বহুতো পিতাপ লৈ পাঠশালালৈ গ'ল । কিন্তু তেওঁ গৈ আচৰিত হ'ল যে সেইদিনা ৰামুও অহা নাই । শাস্ত্ৰী অসন্তুষ্ট হৈ তাক লগ কৰিবলৈ ঠাকুৰৰ ঘৰলৈ গ'ল । বাহিৰতে শুই থকা ৰামুক তেওঁ টোপনিৰ পৰা জগায় সুধিলে, "হেই অভাগা, এদিন পঢ়িয়েই তোৰ মনত বিৰক্তি জন্মিল নেকি ? কালিতো বৰ বৰ কথা কৈছিলি গৰুৰ পোৱালি অকলে থাকিলেও তাক পেটভৰাই খুৱাব লাগে । মই তোৰ কথা বিশ্বাস কৰি, তোৰ কথা মান্য কৰি কালি বহুত কথা পঢ়ালো । পিছে আজিতো তই সেইফালে মুখেই নকৰিলি ।" অসন্তুষ্ট হৈ শাস্ত্ৰীয়ে কথাখিনি কলে ।

ৰামুয়ে অতি নম্ৰভাবে হাতযোৰ কৰি কলে, "গুৰুদেৱ, ক্ষমা কৰিব । মই কৈছিলো যে অকলশৰীয়া গৰুৰ পোৱালিকো পেটভৰাই খুৱাও, কিন্তু তাৰ মুখত গুজি নিদিও ।"

এই কথাই শাস্ত্ৰীৰ ওপৰত বহুত প্ৰভাৱ পেলালে । কথাবোৰে তেওঁক চাবুকেৰে কোবোৱা যেন লাগিল । এতিয়াহে তেওঁ বুজিব পাৰিলে তেওঁৰ ওচৰলৈ ইমান কম বিদ্যাৰ্থী কিয় আহে । পঢ়ুৱা ব্যক্তিজন অতি জ্ঞানী হব পাৰে, অধিক বুদ্ধিমান হব পাৰে । কিন্তু বিদ্যাৰ্থীসকলক তেওঁ এনেদৰে শিক্ষা দিব লাগে যাতে বিদ্যাৰ্থীসকলে অতি সহজতে বুজি পাব পাৰে । তেতিয়াহে তেওঁলোকৰ পঢ়াৰ প্ৰতি ধাউতি বাঢ়িব আৰু আনকো এই বিষয়ত উৎসাহিত কৰিব । যিমানখিনি কথা তেওঁলোকে বুজিব পাৰে সিমানখিনিহে তেওঁলোকক শিকাব লাগে । তাতকৈ বেচি হলে বদহজমি হব ।

তেতিয়াহে শাস্ত্ৰীয়ে নিজৰ ভুলৰ কথা বুজিব পাৰিলে । ইয়াৰ পিছত তেওঁ গাঁৱৰ বহুতো অশিক্ষিত ব্যক্তিক শিক্ষিত কৰিলে আৰু শাস্ত্ৰীৰ জ্ঞানো সাৰ্থক হ'ল ।

অহঙ্কাৰ

বকুলপুৰ গাঁৱত শিৱনাথ নামৰ পণ্ডিত এজনে বাস কৰিছিল। তেওঁ গুণী, মানি আৰু মহাজ্ঞানী পণ্ডিত আছিল। অকল তেওঁৰ গাঁৱৰ মানুহেই নহয়, ওচৰ কাষৰৰ গাঁৱৰ মানুহেও তেওঁক অতি আদৰ সন্মান কৰিছিল। তেওঁৰ ঘৰত প্ৰায়ে পাণ্ডিত্যপূৰ্ণ কথাৰ আলোচনা চলিছিল।

পাৰ্বতী আছিল তেওঁৰ একমাত্ৰ কন্যা। তেওঁ অতি বিদুষী ছোৱালী আছিল। অন্য মানুহে যদি কিবা এটা বিষয় অতি সুক্ষ্মভাবে বুজাই দিয়ে পাৰ্বতীয়ে তৎক্ষণাত বুজি পাইছিল। কিছুদিন পিছত তেওঁও তেওঁলোকৰ ঘৰত বহা আলোচনা চক্ৰত ভাগ লবলৈ ধৰিলে। পাৰ্বতীয়ে নিজৰ বাক চতুৰতা আৰু পাণ্ডিত্যপূৰ্ণ যুক্তিৰে ডাঙৰ ডাঙৰ পণ্ডিতকো হৰুৱাই দিলে।

শিৱনাথ পণ্ডিতে কেতিয়াও নিজৰ পাণ্ডিত্যৰ দম্ভ নামাৰিছিল। তেওঁ সদায় মানুহৰ আগত কৈছিল যে, মই সামান্যজ্ঞানৰ অধিকাৰী। শিকিবলৈ এতিয়াও বহুত বাকী। কিন্তু পাৰ্বতীয়ে দাবী কৰি কৈছিল যে তেওঁ সকলো কথা জানে। এনে কোনো বিষয় নাই যি বিষয়ত তেওঁ পাৰ্গত নহয়। বয়সস্থ আৰু জ্ঞানী পণ্ডিতসকলে যেতিয়া কিবা গুৰুত্বপূৰ্ণ বিষয় লৈ পৰস্পৰৰ মাজত আলোচনা কৰি আছিল পাৰ্বতীয়ে সেই আলোচনাত হস্তক্ষেপ কৰিছিল, তৰ্ক-বিতৰ্ক কৰিছিল লগতে সমাধান সূত্ৰও উলিয়াই দিছিল। আলোচনাৰ মাজত কেতিয়াবা কোনোবা পণ্ডিতৰ কিবা ভুল হলে পাৰ্বতীয়ে তাক সুধৰাই দিছিল। তাৰ পাছত পণ্ডিতৰ অজ্ঞানতাৰ কথা কৈ ব্যঙ্গ কৰিছিল।

যদিও সকলোৰে পৰাই পাৰ্বতী অহংকাৰী স্বভাৱৰ আছিল, তেওঁৰ পিতাকে এই কথাত বিশেষ গুৰুত্ব দিয়া নাছিল। শিৱনাথ পণ্ডিতে ভাবিছিল বয়সৰ লগে লগে পাৰ্বতীৰ স্বভাৱৰ পৰিবৰ্তন হব, তেতিয়া আৰু এই অহংকাৰ ভাব নাথাকিব।

তথাপিতো তাৰ মাজতে শিৱনাথ পণ্ডিতে পাৰ্বতীক দুই-তিনিবাৰ সাৱধান কৰি দি কৈছিল যে ডাঙৰ মানুহৰ কথাৰ মাজত তুমি এইদৰে

পঁচিশ বছৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী

হস্তক্ষেপ কৰাতো অনুচিত। ইয়াৰ কাৰণে তেওঁ হয়তো অন্তৰত দুখো পাব পাৰে।

তেতিয়া পাৰ্বতীয়ে পিতাকক কৈছিল, "জ্ঞান আৰু পাণ্ডিত্যৰ বয়সৰ লগত কিহৰ সম্বন্ধ ? ডাঙৰ হোৱা মানে এইটো নুবুজায় যে তেওঁ সকলো কথাই জানে। মূৰ্খ সদায় মূৰ্খই হয়।" কেতিয়াবা কেতিয়াবা পাৰ্বতীৰ মনত এইটোও সন্দেহ হয়, স্বয়ং তেওঁৰ পিতৃয়েই তেওঁৰ পাণ্ডিত্য প্ৰকাশ হোৱাতো নিবিচাৰে। পাৰ্বতীৰ বয়স এতিয়া সোতৰ বছৰ হৈছে। তথাপি তাইৰ অহংকাৰ ভাবটো যোৱা নাই। শিৱনাথ পণ্ডিত এজন সৰ্বজ্ঞ লোক আছিল। তথাপি তেওঁৰ জীয়েকৰ স্বভাৱৰ কেনেদৰে পৰিবৰ্তন আনিব পাৰি সেই বিষয়ে তেওঁ চিন্তা কৰি পাৰ পোৱা নাছিল। তেওঁ বিমোৰত পৰিছিল। লগৰ পণ্ডিতসকলৰ আগতো নিজৰ দুখৰ কথা ব্যক্ত কৰিছিল।

সেইয়া আছিল নৱৰাত্ৰি উৎসৱৰ দিন। এই উপলক্ষ্যে ৰাজভৱনত পণ্ডিতসকলৰ এখন সভা হৈছিল। শিৱনাথ পণ্ডিতকো এই সভালৈ নিমন্ত্ৰণ দিছিল। শিৱনাথ সেই সভালৈ যোৱাত তেওঁৰ অনুপস্থিতিতো অন্য পণ্ডিতসকলে তেওঁৰ ঘৰত আলোচনা চক্ৰ পাতিছিল। যথাৰীতি পাৰ্বতীয়েও সেই আলোচনাত ভাগ লৈছিল।

এদিনাখন পণ্ডিতসকলে এক বিশেষ বিষয় লৈ আলোচনা কৰি আছিল। পাৰ্বতীয়ে অতি মনোযোগেৰে তেওঁলোকৰ কথা শুনি আছিল। তেওঁলোকৰ মাজৰে এজনে কৈছিল যে, পুৰণি পুখুৰীটোৰ পাৰত থকা মান্দিৰটোত কোনোবাই কিবা লিখিছে। কিন্তু অনেক চেষ্টাৰ পিছতো তাক পঢ়িব পৰা হোৱা নাই। বহুতে পঢ়িবলৈ গৈ একো বুজিব নোৱাৰি উলতি আহিছে। এই কথা শুনি পাৰ্বতীয়ে কলে, "যিমানে কঠিন নহওক কিয়, মই তাত লিখা কথাখিনি পঢ়িমেই।



যদি তাত লিখা কথাখিনি মই পঢ়িব নোৱাৰো তেনেহলে মই শিৱনাথ পণ্ডিতৰ জীয়েক বুলি কোৱাৰে উপযুক্ত নহয় ।" পাৰ্বতীৰ কথাত অহংকাৰ ভাব আছিল।

গোটেই গাঁৱতে এই কথা প্ৰচাৰ হৈ গ'ল যে মন্দিৰৰ দেৱালত লিখা কথা পাৰ্বতীয়ে পঢ়িবলৈ আহিছে। সকলো গাওঁবাসীয়ে মন্দিৰৰ ওচৰত গৈ উপস্থিত হ'ল । পাৰ্বতীয়ে আহি দেৱালত আঁৰি থোৱা পৰ্দাখন গুচাই তাত লিখা কথাবোৰ পঢ়িবলৈ ধৰিলে।

"যিয়ে কৰিব পাৰে তেওঁহে এই কথাখিনি প্ৰকাশ্যৰূপে পঢ়ক । এই পুখুৰীটোত দহফুট গভীৰলৈ বোকাৰে ভৰি আছে। মই এতিয়াই কোৰ আৰু টুকুৰি লৈ যাম আৰু মই অকলেই পুখুৰীৰ সকলোবোৰ বোকা খান্দি বাহিৰ কৰি দিম । আপোনালোক সকলোৱে ইয়াৰ সাক্ষী থাকিব।"

পাৰ্বতীয়ে তাত লিখা কথাখিনি পঢ়ি শেষ কৰাৰ লগে লগে কোনোবা এজনে গৈ কোৰ আৰু টুকুৰি আনি তেওঁৰ সম্মুখত ৰাখিলে।

পাৰ্বতীয়ে আচৰিত হৈ সুধিলে, "এয়া আৰু কি ?" তাত উপস্থিত থকা মানুহবোৰে কলে, "বোকা খান্দি বাহিৰ কৰক ।"

"মই মাথোঁ লিখা কথাখিনি পঢ়িম বুলিহে কৈছো । মইতো কামটো কৰিম বুলি কোৱা নাই।" পাৰ্বতীয়ে কলে।

"আমি কি ইমানেই মূৰ্খলোক নেকি যে তাত লিখা কথাখিনিও পঢ়িব নোৱাৰো । তাত সুন্দৰকৈ লিখা আছে, যিয়ে কথাখিনি পঢ়ি শুনাব তেওঁৱেই কামটো কৰিব লাগিব, যেনেদৰে তাত লিখা আছে । সেই কাৰণে আমি মনে মনে লিখাখিনি পঢ়িছো। ডাঙৰ ডাঙৰকৈ পঢ়ি আমি মূৰ্খামী কৰা নাই। তুমিতো একো নভবা নিচিন্তাকৈ ডাঙৰ ডাঙৰকৈ পঢ়ি শুনাইছা। কোৰ আৰু টুকুৰি লৈ কাম আৰম্ভ কৰি দিয়া । তুমি নিজে দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰিব নোৱাৰিবা।" তাত উপস্থিত থকা গাঁৱৰ বয়সস্থ লোকসকলে কলে।

পাৰ্বতীৰ চকুৰে চকুপানী ববলৈ ধৰিলে । তেতিয়া বয়সস্থ লোকসকলে কবলৈ ধৰিলে, "যেতিয়াই তেতিয়াই বৰ বেচি বুদ্ধিমান বুলি দেখুৱাতো ভাল নহয় । সঠিক সময়ত আৰু আৱশ্যক হলেহে ইয়াক প্ৰয়োগ কৰিব লাগে।"

শিৱনাথ পণ্ডিতে ৰজাঘৰৰ পৰা উলতি আহি দেখিলে পাৰ্বতীৰ স্বভাৱৰ বহুতো পৰিবৰ্তন হৈছে। পাৰ্বতীৰ অহংকাৰ দূৰ কৰিবলৈ তেওঁৰ বন্ধুসকলে কৰা যত্ন আৰু চেষ্টাৰ কথা শুনি শিৱনাথ অতি আনন্দিত হ'ল।

চান্দমামাৰ নিবেদন
অজেয় গৰুড়
12
চিত্ৰ: পাণি
চন্দ্ৰপুৰীৰ প্ৰধানমন্ত্ৰী আদিত্যই পিতাকৰ পৰা পোৱা গৰুড়ৰ মূৰ্ত্তিৰ পূজা কৰিছিল । ইয়াৰ দ্বাৰা তেওঁৰ শাৰীৰিক পৰিবৰ্তন ঘটে যিটো আনে দেখা নাপায় । তেওঁ ৰজাক অপহৰণ হোৱাৰ পৰা ৰক্ষা কৰিছিল । এক দৈৱবাণীয়ে সেনাপতি নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পূজক কৈছিল যে এটা গৰুড়ে ৰজাক ৰক্ষা কৰিছে ।
নৰেন্দ্ৰদেৱে দৈৱবাণীত গৰুড়ৰ নাম শুনি আচৰিত হয় ।
কি, গৰুড় কোনো প্ৰেতাত্মা নেকি ?
হবও পাৰে । শক্তিশালী যেনো লাগিছে । মোৰ গুৰু তান্ত্ৰিকে এই বিষয়ে অধিক জানিব ।

তেওঁ এজন বৃদ্ধ আৰু বহুত দূৰত থকা এটা গুহাত তেওঁৰ বিদ্যা অনুশীলন কৰি আছে।
এই টকাখিনি লৈ যোৱা আৰু তান্ত্ৰিকক ইয়ালৈ লৈ আহা।
তেওঁ সাপৰ লগত অকলে থাকে। তেওঁ নিজকে নাগবন্ধু বুলি কয়। শাওন মাহত তেওঁ পাহাৰৰ তলত থকা মন্দিৰত তেওঁৰ শিষ্যসকলৰ লগত দেখা কৰে।
ৰবীন্দ্ৰ, তুমি ইয়াতে থাকা আৰু আদিত্যৰ ওপৰত চকু ৰাখিবা। মই তান্ত্ৰিকক দেখা কৰিবলৈ যাওঁ।
শাওন মাহ পৰিছে। মোক তান্ত্ৰিকৰ ওচৰলৈ লৈ বলা।

নৰেন্দ্ৰদেৱ যেতিয়া পাহাৰৰ ওপৰলৈ
গ'ল,
তেতিয়া
ভৱনত ...।
এয়া কিহৰ
শব্দ ? আঃ ! পিতাৰ
ছবিখন লৰিব
ধৰিছে ।
আদিত্যই ছবিখনৰ পিছৰ পৰা চন্দুকটো উলিয়াই
আনিলে ।
পাখী মাৰি মাৰি আদিত্যই ধীৰে ধীৰে গৰুড়ৰ ৰূপ ললে ।
নৰেন্দ্ৰদেৱে ভৱন ৰক্ষীৰ সৈতে
আদিত্যৰ বাসস্থানলৈ গ'ল ।
এইবাৰ তেওঁ
নিশ্চয় ধৰা
পৰিব ।
হঠাতে শয়নকক্ষৰ দুৱাৰ খোলা গ'ল । তাত প্ৰৱেশ
কৰাসকলে প্ৰচন্ড মাৰ খালে । তেওঁলোক পলাই গল।
কিন্তু এয়া বিচিত্ৰ
পোহৰ ক'ৰ পৰা
আহিছে ? একো দেখা
পোৱা নাই ।

ভৱনলৈ ঘূৰি অহাৰ পিছত .....।
মহাশয়, প্ৰধানমন্ত্ৰী নিজৰ কক্ষত নাই!
তেওঁ কেনেকৈ পলাল ?
তুমি ভালদৰে চোৱা নাই, অকৃতজ্ঞ কৰবাৰ!
মই নিশ্চয়কৈ কব পাৰো, তেওঁ বাহিৰলৈ যোৱা নাই।
মহাশয়, আমাৰ গৰুড়ৰ দৰে নখৰ আঁচোৰ লাগিছে।
অথহীন কথা নকবা!
গোন্ধ! এই গোন্ধ কৰ পৰা আহিছে ?
আদিত্য! তুমি ইয়াত ?
(ক্ৰমশঃ)

Looking for a Birthday Gift?

What else than good old Chandamama!

CHANDAMAMA

An ideal growth scheme for the Indian child

Gift an annual subscription of Chandamama, India's oldest and best-loved children's magazine.

Available in 12 languages.

Annual subscription: Rs. 120/-
Enclose D.D. payable at Chennai
(or send money order) in favour of
Chandamama India Ltd. with the name and address of the person you are gifting it to, and the language edition subscribed for.

CHANDAMAMA INDIA LIMITED,
No.82, Defence Officers' Colony
Ekkatuthangal, Chennai - 600 097
Phone : 234 7384 / 234 7399
E-mail : chandamama@vsnl.com

Get your copy of e-Chandamama today!

You can now play games, *online.*

Don't wait, just log on to

chandamama.org

http://www.chandamama.org

Freebies too!

Play
View
Read
Discuss

Games
Animated story books
Hypertales
India
Issues

Across media, a common tradition!

ফটো নামকৰণ প্ৰতিযোগিতা



কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

ফেব্ৰুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজয়ী
পৰাগ কলিতা
মাৰফৎ-শ্ৰী ৰজনী কলিতা, গাওঁ-পোঃ
আমতলা, জিলা - কামৰূপ, অসম-৭৮১১৩৪

বিজয়ী বাক্য

পুতলাৰ সতে খেলো মই
পুতলাই মোৰ সঙ্গী

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

বছৰেকীয়া বৰঙণি

Payment in favour of CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

NOW WITH EVERY CAKE OF
MYSORE SANDAL BABY SOAP,
A SOAP-HOLDER FREE!
MYSORE SANDAL
BABY SOAP
WITH PURE NATURAL
SANDALWOOD AND
ALMOND OILS
CARES FOR YOUR BABY AS MUCH AS YOU DO!
Mysore Sandal
Baby
Soap
Enriched with sandalwood and almond oils.
RECOMMENDED BY SKIN & CHILD SPECIALISTS
The house of Mysore Sandal has been bringing the goodness of sandalwood right into your homes for over 80 years.
*Till stocks last. So hurry!
FOR GREATER CLEANLINESS AND HYGIENE, TURN TO MYSORE SANDAL BABY SOAP.

CHANDAMAMA (Assamese) APRIL 2002
Regd. with RNI. No. 3027[illegible]/76
Registered No. TN/Chief PMG-870/2001